
জ্ঞানম
তৃতীয় সংখ্যা
সম্পাদকদ্বয়
ভাস্কৰজ্যোতি বৰ্মন
লিজা আহমেদ

# উচৰ্গা



যিগৰাকী মহান ব্যক্তিৰ শৈক্ষিক চিন্তাধাৰা তথা ভূমিদানৰ ফলত কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়খন নিৰ্মাণ হৈ উঠিছিল, সেইগৰাকী মহান ব্যক্তি ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতিৰ চৰণত বি.এড প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সমূহ প্ৰশিক্ষাৰ্থীৰ প্ৰচেষ্টাত প্ৰকাশিত এই 'জ্ঞানম' (তৃতীয় খণ্ড) আলোচনীখন উচৰ্গা কৰা হ'ল।

# শুভেচ্ছা-বাণী

পোনপ্ৰথমে সমূহ কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ আন্তৰিক শুভকামনা জ্ঞাপন কৰিছোঁ। কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ হাতে লিখা আলোচনী 'জ্ঞানম'ৰ তৃতীয় সংস্কৰণ উন্মোচনৰ দিশে আগবঢ়াৰ সুখবৰটোৱে অধীৰ আগ্ৰহী আৰু আনন্দিত কৰিছে। উক্ত আলোচনীখনে সমূহ প্ৰশিক্ষাৰ্থীৰ লিখনিৰ জৰিয়তে তেওঁলোকৰ প্ৰতিভা আৰু সাহিত্যৰ ক্ষেত্ৰখনত নিজকে প্ৰতিফলিত কৰাৰ প্ৰয়াস কৰা হৈছে। এই আলোচনীখনত সাঙুৰি লোৱা বিভিন্ন দিশ যেনে: নৈতিক, সামাজিক, শৈক্ষিক আদিয়ে আলোচনীখনৰ তাৎপৰ্য বৃদ্ধি কৰাৰ লগতে মহাবিদ্যালয়ৰ উৎকৰ্ষ সাধনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি দৃঢ় বিশ্বাসী। এনেদৰেই 'জ্ঞানম'ৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকিব বুলি আশাবাদী।

সৰ্বশেষত 'জ্ঞানম'ৰ সফলতা কামনা কৰি ইয়াৰ সম্পাদক-দ্বয় প্ৰমুখ্যে 'জ্ঞানম'ৰ লগত জড়িত সকলো প্ৰশিক্ষাৰ্থীবৃন্দ আৰু শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

ড° অভিজিত দেৱ অধিকাৰী
অধ্যক্ষ
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়,
ছয়গাঁও

# শুভেচ্ছা-বাণী

কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষাৰ্থী সকলৰদ্বাৰা প্ৰকাশিত হাতে লিখা আলোচনী 'জ্ঞানম' আজি 'তৃতীয় বৰ্ষত' সফল ভাৱে পদাৰ্পন কৰিলে। এই আলোচনীখনৰ দ্বাৰা আমাৰ শিক্ষক প্ৰশিক্ষাৰ্থী সকলৰ বহুতো সুন্দৰ, সৃষ্টিশীল লিখনি প্ৰকাশ হৈছে। এই আলোচনীখনে আমাৰ শিক্ষাৰ্থী সকলৰ নিজৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ হৈছে। আশা ৰাখিছো অনাগত দিনত 'জ্ঞানমে' আৰু ভাল লিখনিৰে নিজৰ ধাৰাবাহিকতা ৰক্ষা কৰি আগুৱাই যাওঁক।

ৰেখামণি ডাকুৱা
জ্যেষ্ঠা প্ৰবক্তা
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়

কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ হাতে লিখা আলোচনী 'জ্ঞানমে' তৃতীয় বৰ্ষত খোজ পেলালে। এই শুভক্ষণত আনন্দ আৰু গৌৰৱবোধ কৰিছোঁ। হাতে লিখা আলোচনী এখন প্ৰকাশ কৰাটো সহজসাধ্য নহয়। ধৈৰ্য, শ্ৰম, একাগ্ৰতা, আশা সুধীয়া প্ৰচেষ্টাৰ ফলতহে এনে কাৰ্য সমাধান কৰিব পাৰে। সেয়েহে এনে মহান কাৰ্যত মন নিয়োজিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ প্ৰশিক্ষাৰ্থীক আন্তৰিক ধন্যবাদ যাচিছোঁ।

'জ্ঞানম' যুগজয়ী ...... কালজয়ী হওঁক, জ্ঞানৰ বন্তিৰে আলোকিত কৰি ৰাখক আটাইকে ........

বৰ্ণালী গোস্বামী
জ্যেষ্ঠা প্ৰবক্তা
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়

পৰম আনন্দৰ কথা যে 'কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী সকলে 'জ্ঞানম' নামৰ হাতে লিখা আলোচনীখনৰ জৰিয়তে সাহিত্য-চৰ্চা কৰিবলৈ প্ৰয়াস কৰি আহিছে। সাহিত্য, সংগীত, চিত্ৰকলা, ভাস্কৰ্য আদিৰ সাধনাৰ দ্বাৰা জীৱন সৰ্বাংগ সুন্দৰ হৈ উঠে। জীৱনৰ নৱ নৱ সত্য উদ্ভাষিত হয়। সেয়েহে জ্ঞানমৰ প্ৰকাশ মহাবিদ্যালয়খনি আৰু তাৰ ছাত্র-ছাত্রীৰ জীৱনলৈ এটা অতি উল্লেখযোগ্য প্ৰতিশ্ৰুতি সম্পন্ন পদক্ষেপ।

আশাকৰো জ্ঞানমে মানৱীয় সৃষ্টিশীলতাৰ পৰেশেৰে অভিজ্ঞতা তথা জ্ঞানৰ বৰ্ণাঢ্য কতৰা বিলাই সময়ৰ সোঁতত অধিক বিকশিত হয়, অধিক অৰ্থবহ হৈ উঠে।

উমানন্দ বৰুৱা
জ্যেষ্ঠ প্ৰবক্তা
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়



# পৰিচালনা সমিতি

মুখ্য উপদেষ্টা : ড° অভিজিত দেৱ অধিকাৰী, অধ্যক্ষ
ৰেখামনি ডাকুৱা, জ্যেষ্ঠ প্ৰবক্তা
উপদেষ্টা মণ্ডলী : উমানন্দা বৰুৱা, জ্যেষ্ঠ প্ৰবক্তা
বৰ্ণালী গোস্বামী, জ্যেষ্ঠ প্ৰবক্তা
ৰফিকুল ইছলামৰ লগতে সমূহ
অধ্যাপক - অধ্যাপিকাবৃন্দ ।

সম্পাদকদ্বয় : লিজা আহমেদ, বি.এড. দ্বিতীয় বৰ্ষ
ভাস্কৰজ্যোতি বৰ্মন, বিএড. দ্বিতীয় বৰ্ষ

বেটুপাত : মানসজ্যোতি ৰাভা, বি.এড. দ্বিতীয় বৰ্ষ
নিশা ডেকা, বি.এড প্ৰথম বৰ্ষ

অলংকৰণ : লিজা আহমেদ, বি.এড. দ্বিতীয় বৰ্ষ
ৰিমঝিম ডাউকা, বি.এড. দ্বিতীয় বৰ্ষ
কাকলি শৰ্মা, বি.এড. দ্বিতীয় বৰ্ষ
মানসজ্যোতি ৰাভা, বি.এড. দ্বিতীয় বৰ্ষ
নিশা ডেকা, বি.এড. প্ৰথম বৰ্ষ
সংগীতা বৰগোঁহাই, বি.এড. প্ৰথম বৰ্ষ
সুস্মিতা কোঁৱৰ, বি.এড. প্ৰথম বৰ্ষ
শ্ৰিয়া হাজৰিকা, বি.এড. প্ৰথম বৰ্ষ
আৰ্জে এম চাংমা, বি.এড. প্ৰথম বৰ্ষ

অক্ষৰ বিন্যাস : লিজা আহমেদ, বি.এড. দ্বিতীয় বৰ্ষ
ৰিমঝিম ডাউকা, বি.এড. দ্বিতীয় বৰ্ষ
কাকলি শৰ্মা, বি.এড. দ্বিতীয় বৰ্ষ
প্ৰজ্ঞাজ্যোতি ডেকা, বি.এড দ্বিতীয় বৰ্ষ

সম্পাদনা সহযোগী সকল: ৰিম্‌ঝিম্ ভাউকা, বি.এড. দ্বিতীয় বৰ্ষ
কাকলি শৰ্মা, বি.এড. দ্বিতীয় বৰ্ষ
ৰূপক ৰাভা, বি.এড. দ্বিতীয় বৰ্ষ
মানসজ্যোতি ৰাভা, বি.এ.ড দ্বিতীয় বৰ্ষ
প্ৰজ্ঞাজ্যোতি ডেকা, বি.এ.ড দ্বিতীয় বৰ্ষ
জোনালী শইকীয়া, বি.এড. দ্বিতীয় বৰ্ষ
নিশা ডেকা, বি.এড প্ৰথম বৰ্ষ

........ লগতে বি.এড প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সমূহ প্ৰশিক্ষাৰ্থীবৃন্দ ।





# সম্পাদকীয়.....

ক'ৰবাত সুন্দৰৰ সাধনা, ক'ৰবাত জীৱনৰ জুইফুল, ক'ৰবাত আশাৰ কুসুমকল্পনা, ক'ৰবাত খণ্ডিত সপোনৰ ভগ্নাৱশেষ লৈ মানৱ মনৰ সৃষ্টি আৰু দৃষ্টিৰ সম্প্ৰসাৰণ ঘটি আহিছে। এনে আপাহতে জীৱনৰ জয়গান গাবলৈ লহপহকৈ বাঢ়ি আহিছে 'সাহিত্য' নামৰ এক চিৰসেউজ বৃক্ষ, যাৰ ছাঁত জিৰাইছে চিৰন্তন পৰিৱৰ্তনৰ মাজেৰে পাৰ হৈ যোৱা সম্পূৰ্ণ বা ভুখুৰীয়া প্ৰতিটো মুহূৰ্ত।

হাতেলিখা আলোচনীসমূহ ছাত্ৰ-ছাত্ৰীৰ মৌলিক চিন্তাৰ ফচল। সাহিত্যৰ বিভিন্ন দিশসমূহৰ সৈতে জড়িত হোৱাৰ লগতে সৃজনী-শীল কলাৰ বিকাশত হাতেলিখা আলোচনীৰ বিশেষ গুৰুত্ব আছে। সেয়ে বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত এয়া এক আদৰণীয় প্ৰচেষ্টা। কৃষ্ণৰাম দাস শিক্ষা মহাবিদ্যালয়ৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সমূহ প্ৰশিক্ষাৰ্থী-দ্বাৰা প্ৰস্তুত 'জ্ঞানম' শীৰ্ষক হাতেলিখা আলোচনীখনো তেনে ঐক্যবদ্ধ প্ৰচেষ্টাৰেই ফচল। এয়া আমাৰ ঐকান্তিক আৰু বিনম্ৰ প্ৰয়াস।

'জয়তু কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়।'

লিজা আহমেদ
ভাস্কৰজ্যোতি বৰ্মন
সম্পাদকদ্বয়, সাহিত্য বিভাগ

नास्ति विद्यासमो बन्धुर्नास्ति विद्यासमः सुहृत् ।
नास्ति विद्यासमं वित्तं नास्ति विद्यासमं सुखम् ॥

# সূচীপত্ৰ

## কবিতাৰ শিতান :


| | পৃষ্ঠা |
|---|---|
| • প্ৰেম সাগৰৰ নাৱিক<br>– নিপামণি বড়ো | ০১ |
| • বলুকা<br>– বন্দনা মহন্ত | ০২ |
| • মন যায় নে<br>– বন্দনা চৌধুৰী | ০৩ |
| • হেঁপাহ<br>– ৰিমঝিম্ ভৰদ্বাজ | ০৪ |
| • তুমি নাই<br>– কাংকী মালাকাৰ | ০৫-০৬ |
| • সপোনৰ চিতাগ্নি<br>– সাগৰিকা ফুকন | ০৭-০৮ |
| • অনুভৱ<br>– মিতুমণি ৰাভা | ০৯ |
| • ছন্দবদ্ধ জীৱ প্ৰযুক্তিবিদ্যা<br>– নৱনীতা গোস্বামী | ১০ |
| • নতুন কবিতা<br>– গৌৰীশিখা দাস | ১১ |

সূচীপত্ৰ — পৃষ্ঠা


- আধুনিকতাৰ চক্ৰবেহু — ১২
  — নয়নমণি কলিতা
- অনুভূতিৰ পানচৈ — ১৩-১৪
  — ভূমিকা ৰাভা
- নিৰ্জনতাৰ সমিধান — ১৫-১৬
  — কৰবী শৰ্মা
- The joy of opportunities — ১৭
  — Prastuti kalita
- Verses of Devotion — ১৮
  — Chanakya Daimari
- जिन्दगी — ১৯
  — परिस्मीता दास
- कुछ बातें — ২০
  — शाहिन फारहाना


## প্ৰবন্ধ-শিতান


- বিহু, বিহুৱান আৰু তাঁতশাল — ২১-২২
  — ময়ুৰাক্ষী ভৰালী

সূচীপত্ৰ পৃষ্ঠা


- আনুষ্ঠানিক শিক্ষা প্ৰদানত প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা ২৩-২৪
  → ৰিমঝিম ভউকা
- মহো-হো উৎসৱৰ বিষয়ে একলম ২৫-২৬
  → অৰ্পনা দাস
- ধৰ্ষণ ২৭-২৯
  → ভাস্কৰজ্যোতি বৰ্মন
- আমতিৰ লোকাচাৰ ৩০
  → পলাশজ্যোতি দাস
- ঐতিহ্যমণ্ডিত সৰ্থেবাৰীৰ কাঁহ শিল্প: এটি চমু আভাস ৩১-৩২
  → প্ৰজ্ঞা তালুকদাৰ
- সম্পৰ্কৰ ব্যৱধান আৰু আপোনাৰ কৰণীয় ৩৩-৩৫
  → কেশৱানন্দ গগৈ
- সফলতাৰ আন এক নাম সংগ্ৰাম ৩৬-৩৮
  → পল্লৱী ৰাণী চৌধুৰী
- লোক সংস্কৃতিৰ বিলুপ্তিকৰণ ৩৯-৪০
  → মূৰ্চনা দাস
- Teachers' responsibility in shaping a student's life ৪১-৪২
  → Kritidipta Saha

সূচীপত্ৰ পৃষ্ঠা


- Senselessness ৪৩-৪৪
  → Apoorva Jyoti Hazarika
- Time management ৪৫
  → Pallabi Rabha
- Intoxication addiction is increasing among youth ৪৬-৪৮
  → Doli Medhi
- महिला सशक्तिकरण और भारतीय समाज ৪৯-৫০
  → हिमाक्षी नाथ
- असम में हिन्दी का विकास : सन्दर्भ और परिप्रेक्ष ৫১-৫২
  → निकुमणि दास


# অনুগল্প শিতান


- অভিনয় ৫৩
  → ৰিতুপৰ্ণা শইকীয়া
- উত্তৰাধিকাৰী ৫৪
  → জোনালী শইকীয়া


# চুটিগল্প শিতান


- ৰামে সীতাক ত্যাগ কেতিয়াও কৰা নাছিল ৫৫-৫৬
  → ডলি মালী
- অলিখিত পৃষ্ঠাসমূহ ৫৭-৫৯
  → বাবলু দাস

সূচীপত্ৰ — পৃষ্ঠা


- অশ্ৰু — ৬০-৬২
  → অম্বিকা বড়ো


## ভ্ৰমণ অভিজ্ঞতামূলক কাহিনীৰ শিতান


- অৰুণাচল: ভাৰতবৰ্ষৰ একমাত্ৰ উদীয়মান সূৰ্যৰ দেশ — ৬৩-৬৬
  → ৰাজা ৰাছেল চৌধুৰী


## সংগৃহীত তথ্য


- Some interesting facts about maths — ৬৭
  → Gayetri Devi

# কবিতাৰ শিতান

# প্ৰেম সাগৰৰ নাৱিক

নীৰৱ বেদনাবোৰ বুকুতে মাৰ যায়
অশ্ৰুৰ সাগৰখন শিতানৰ মাজেৰে বাগৰি যায়,
প্ৰেমৰ সাগৰখনৰ হেঁপাহৰ জলকিৰিলি,
যেন দুটি পাৰ মিলনৰ আন্তিক স্বপ্নালী,
প্ৰেমৰ বঠা বাও লহৰে লহৰে,
তাই গায় প্ৰেমৰ নাৱৰীয়া গীত,
বৈ যাম মৰমৰ সাগৰীয় সোঁতত,
দুপৰীয়া পৰত প্ৰখৰ ৰদত
প্ৰেমৰ বৰফ গলে দহনত
তাই চিঞৰি চিঞৰি গায়
জীৱনৰ আধৰুৱা গান,
মই কওঁ
প্ৰেমৰ সাগৰত ডুব যাম দুটি শৰীৰ আৰু
এটি প্ৰাণ,
উটি যাম দুয়ো ভুলুং-ভুলুং নাওত
প্ৰেমৰ ছবি আঁকিম অস্ত আবেলিৰ
সাঁচি পাতত ।

~ নিপামণি বড়ো
বি. এড. দ্বিতীয় বৰ্ষ



# বলুকা

সোঁতে সঞ্চয় কৰি যোৱা
ৰূপোৱালী বালিৰে গঢ়া
ই বলুকা ।
সৃষ্টি হয় নদীৰ বুকুত
নদীৰ বুকুৰেই যাৰ ঘৰ
ঢৌবোৰৰ সৈতে অবিৰাম আলিংগন
অত তত কত যে অগনন ।
এই ভাঙে , এই গঢ়ে ,
ই যেন অঘৰী যাযাবৰ
ঋতুৰে ঋতুৰে নতুন জীৱন ।
বলুকাই শিকা নাই
কোনো কালে বৈ যাবলৈ,
শিকা নাই প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ
নৈৰ সোঁতৰ গতিয়েই যেন
তাৰো জীৱনৰ গতি
সময়ৰ গহ্বৰত
নতুনত্ব বিচাৰি !
বলুকাই আপোন কৰি ল'ব জানে
ঝাও বন,
পৰিভ্ৰমী চৰাইৰ দল,
নাৱৰীয়া মাছুৱৈ
তথা খেতিয়ক সমাজক ।
কাৰণ ই বলুকা
যৌৱতী নদীয়ে সঞ্চয় কৰা
উৰ্বৰতাৰ চেনেহেৰে সমৃদ্ধ,
ই পবিত্ৰস্থ ।

~ বন্দনা মহন্ত
বি.এড দ্বিতীয় বৰ্ষ

# মন যায় নে

মন যায় নে.....
নীলা আকাশৰ ঠিকনা বিহীন ডাৱৰ হ'বলৈ?
কেতিয়াবা বতাহ হ'বলৈ;
চঞ্চল মনটোৰ সৈতে ডাৱৰৰ লগত উৰি ফুৰিবলৈ,
নিজৰাৰ কুলু কুলু পানীৰ সৈতে
সাগৰত বিলীন হ'বলৈ,
আৰু পখিলাজনীৰ দৰে ফুলৰ ওপৰত
নাচি ফুৰিবলৈ।
উভতি যাব মন যায় শৈশৱলৈ
মন গ'লেই হাঁহি দিবলৈ, নিজৰ মতে
কিবা এটা কৰিবলৈ,
বুজা নুবুজাৰ মাজত একো নোহোৱাৰ দৰে
থাকিবলৈ।
কেতিয়াবা মন যায়
যাদু শিকিবলৈ, বেয়া লগাবোৰ
ভাল কৰি ল'বলৈ।
মন যায়নে?
এজনী ছোৱালী হৈ সমাজৰ কটু কথা
শুনিবলৈ?
এজনী নাৰী হৈ
সমাজৰ দায়িত্বৰ বোজা দাঙি ফুৰিবলৈ?
ইমানবোৰৰ মাজত এটাই মন যায়নে
এতিয়াও
আগৰ দৰেই সময়বোৰ উভতি আহিব বুলি
নিজক মিছাৰ বান্ধোনেৰে বান্ধিবলৈ??

~ বন্দনা চৌধুৰী
বি. এচ. প্ৰথম বৰ্ষ

# হেঁপাহ

সেই বাটেৰে গৈ তাইৰ উভতি নহাৰ হেঁপাহ !
নে থমকি ৰ'ব সেই সেমেকা কাগজখনত ?
তাই বৈ যাব নে ?
নিস্তব্ধ দোমোজাৰ চুবুৰিটোত,
কিন্তু,
হৃদয়ৰ কোনোবাখিনিত, হাঁহিৰ মাজত
হেঁপাহৰ অভিমানবোৰ বৈ গৈছিল !
আকৌ নতুন দিনৰ আৰম্ভ হ'ল
হেঁপাহে পোখা মেলিছিল
কিন্তু, তাত মাদকতা আছিল
জীয়াই থকাৰ প্ৰেৰণা আছিল।
তাই খুঁজিছিল চকুপানীৰে
শেষত নদীৰ প্ৰবল স্ৰোতত
হেঁপাহৰ ঠিকনা খোদিত হৈ গৈছিল
মনৰ দোমোজাত ।



~ ৰিম্‌ঝিম্‌ ভৰদ্বাজ
বি. এড. প্ৰথমবৰ্ষ

# তুমি নাই

তুমি পুৱাৰ ৰ'দালি,
তুমি বকুল সৰা আবেলি ।
তুমি আন্ধাৰৰ আঁচল
তুমি জোনাকৰ পোহৰ ।
হাতত গৰম চাহৰ
পিয়লাটো লৈ,
উৰি যোৱা দূৰ আকাশৰ
চৰাইজাককলৈ
মইতো চাই ৰ'লো
মই চায়ে থাকিলো ।
বেলি ডুবু - ডুবু
ধুৱলি - কুঁৱলী আকাশত
ডাৱৰ ভেদি ঘৰমুৱা হোৱা
চৰাইজাকৰ মাজত
তোমাক বিচাৰিলো ।
তুমি নাই.....
বুকুখন যেন
গধুৰ হৈ পৰিল ।
দুচকু মুদি
তোমাৰ ভাৱনাত
নিথৰ হৈ ৰ'লো ।
হঠাৎ তপত পিয়লাটোত
আঙুলিৰ স্পৰ্শত
চমক খাই উঠিলো ।
তুমি নাই.......
তুমি পুৱাৰ ৰ'দালি নহয়
সেয়া মাথোঁ হাইৱেৰ ষ্ট্ৰীট লাইটৰ পোহৰ ।

তুমি বকুল সৰা আবেলি নহয়
সেয়া কেৱল ট্ৰেফিক জাম সহস্ৰ বাহনৰ ।
বাস্তৱ এয়াই, তুমি নাই .....
দ্বাবিংশ শতিকাৰ গধূলি এয়া,
পাঁচ বাজিছে ।
মোৰ কামৰত, যন্ত্ৰ-পৰিচালিত
সহকৰ্মী ৰবট ।
যন্ত্ৰময় পৃথিৱীৰ বাসিন্দা
সভ্যতাৰ চৰম-চুমা
ব্ৰহ্মাণ্ড বিজয়ী মানৱ আমি,
তাৰে মইয়ো এজন ।
শ-মহলীয়া এপাৰ্টমেন্টৰ
বাসত্তৰ নং কোঠালিত মই ।
গধূলিপৰত, হাতত চাহৰ পিয়লাটো লৈ
বিচাৰি ফুৰিছো
চকুৰে চুকি পোৱালৈকে
মানৱ সমাজৰ অতীত ।
ইয়াত একো নাই,
মৰম-আৱেগ-চকুলো-হাঁহি
সকলো শূন্য, কেৱল ব্যস্ততাৰ পথিক আমি
ইয়াত তুমি নাই 'অনুভৱ' ।
আছে যন্ত্ৰৰ নিসংগতা
মেচিনৰ কোলাহলে শব্দহীন নীৰৱতা ।।

~ কংকী মালাকাৰ
বি.এড. প্ৰথম বৰ্ষ

# সপোনৰ চিতাগ্নি

সন্মুখতে মোৰ হোমাগ্নি,
ৰঙাকৈ জ্বলিছে
এশ এডাল খৰিৰে হোমৰ জুইকুৰা ।
পাটৰ সাজ, আ- অলংকাৰেৰে
সাজি কাঁচি আজি মই কইনা ।
মোৰ কাষতে দৰাৰ সাজেৰে বহি আছে
এজন অচিনাকি মানুহ ।
শিৰত মোৰ জিলিকি আছে তেওঁৰ নামৰ সেন্দুৰ।
দেউতা ব্যস্ত কুঁহু চিঙা পৰ্বত ।
বাহিৰত জ্বলা হোমৰ জুইকুৰাৰ দৰেই
মনৰ ভিতৰত জ্বলিছে আন একুৰা জুই ।
হোমাগ্নি নহয় মোৰ সপোনৰ চিতাগ্নি ।
এফালে নতুন সম্পৰ্কত বান্ধ খোৱাৰ
প্ৰতিশ্ৰুতি আনফালে আকৌ
পাতিছো মনত সপোনৰ সমাধি ।
সপোনবোৰ জীয়াই ৰাখিবলৈ
অপ্ৰান চেষ্টা কৰিও
অসফল হৈছো ।
আয়তীৰ মংগল উৰুলি
আৰু যোৰা নামে
মোক বাৰে বাৰে আঘাত কৰিছেহি
আই পিতাইৰ মুখত
দায়িত্ব শেষ হোৱাৰ শুমুনিয়াহ ।
অচিনাকি ঘৰখনৰ মুখত

ন বোৱাৰীক আদৰাৰ পৰিকল্পনা ।
আৰু মোৰ মনত
সপোন ভঙাৰ যন্ত্ৰণা ।
এয়া কোনো নতুন কথা নহয়
এয়া হেনো পৰম্পৰা
এয়া হেনো বংশৰ মৰ্যদা
এয়াই হেনো প্ৰকৃতিৰ নিয়ম ।

~ সাগৰিকা ফুকন
বি. এড. প্ৰথম বৰ্ষ



# অনুভৱ

আৱেগৰ ধুমুহা সিঁচি থৈ যাব
সপোনবোৰ যেন দিঠক হ'ব
পাতল ধূলিৰে চৌপাশ ভেৰি পৰিব,
অনুভৱৰ সমূহে মেৰিয়াই ধৰিব
মৰিচিকাৰ ধূলিৰে ধূসৰিত
আবেগৰ ধুমুহা সিঁচি থৈ যাব ।
যেন কৃষ্ণফলকত বিচাৰিছোঁ সুবাস তোমাৰ
বিচাৰি ফুৰিছোঁ তোমাৰ অনুভৱ
কাঞ্চন বকুলৰ সুবাসত যেন
গোলাপৰ পাহিবোৰে কৈছে
অনুভৱৰ সমূহ সঁচা হ'ব
তোমাৰ হাঁহিৰ পৰশত যেন
পৃথিৱীয়ে সমাজ দেখিব
তোমাৰ সাহসিকতাৰ সাঙ্কৰত যেন
বিষাদবোৰ আঁতৰি যাব
আঁতৰি যাব নিৰৱতাৰ ছাঁ
কাঞ্চন ফুলৰ সুবাসেৰে
নিৰ্জন, নিস্তব্ধ, নিসংগতাৰ ছাঁ
আদাৰ দৰে স্বৰ্ণাভ প্ৰেতিৰেখী হ'ব ।



~ মিতুমনি ৰাভা
বি. এড. প্ৰথম বৰ্ষ

# ছন্দবদ্ধ জীৱপ্ৰযুক্তিবিদ্যা

সপ্ত সহস্ৰাধিক বৰ্ষৰ সভ্যতা মেচপটেমিয়া,
অজ্ঞাতে আছে জৈৱ উন্নয়নৰ এক সাধনাত ব্ৰতী।

জৈৱ উন্নয়নৰ, সৰ্বাংগীন বিকাশৰ হকে,
আধুনিকীকৰণৰ নৱৰূপ ই জীৱপ্ৰযুক্তি ॥

জিন, ডি.এন.এ., মৌল কত উপাদানৰ সমাহাৰ,
জীৱকুলৰ প্ৰগতিকল্পে সভ্যতাৰ এক অমূল্য উপহাৰ।

পেষ্টিঅ'ৰ, ডাৰউইন, ৰেইজমেন, ফ্লেমিং, বয়াৰ,
আৱিষ্কাৰ আৰু আৱিষ্কাৰৰ নাইযে পাৰাপাৰ।

আহিছো গুলাই ন উচাহেৰে প্ৰগতিলে ধাৱমান,
জীৱ প্ৰযুক্তিবিদ্যাৰ কলেৱৰ হওঁক মহানতাৰে মহীয়ান।

~ নৱনীতা গোস্বামী
বি. এড. প্ৰথম বৰ্ষ





# নতুন কবিতা

কবিতাবোৰ আজি দুষ্কৃতি
কবিবোৰ দুষ্কৃতিকাৰী
কবিৰ ভাষা আজি দুৰ্বোধ্য
কবিতাবোৰ বন্ধ্যা
এটা ভাল কবিতাৰ
এটা নতুন কবিতাৰ
আজি খুবেই প্ৰয়োজন ।
যিয়ে সলনি কৰিব পুৰণি পৃথিৱী
যিয়ে সলনি কৰিব বিশ্বব্ৰহ্মাণ্ডৰ আকাৰ
যিয়ে আনিব নিজক চিনাৰ পোহৰ
যিয়ে আনিব সমাজ সলনিৰ জোৱাৰ
আনিব সংস্কৃতিৰ মহত্ত্ব
আহিব প্ৰকৃতি চিনাৰ নতুন তত্ত্ব
কবিবোৰ নতুন
কবিতাবোৰ নতুন ।

~ গৌৰীশিখা দাস
বি.এড প্ৰথম বৰ্ষ

# আধুনিকতাৰ চক্ৰবেহু

কামাতসুৰ সময়ৰ
জয়াল ৰাত্ৰি
ওচৰত মাথো
নিস্তব্ধতাৰ সুহুৰি
বৈ আছে
অদৃশ্যময়ীৰ মায়াজাল
চাঞ্চল্য অমাৱস্যাই
আকাশখন ধৰিছে বেঢ়ি ।
আখৰা হৈছে
দ্ৰুপদীৰ বস্ত্ৰহৰণৰ
কিন্তু নাই দেখোন আজি
কানাইৰ যাদুকৰী শক্তি
জীয়া লুইতখনি
হেনো মৰিশালীৰ লেখীয়া হ'ল
প্ৰকৃতিৰ সাঁজ পাৰো সলনি হ'ল
চাৰিওফালে কেৱল
আধুনিকতাৰ মুখা,
নোৱাৰিছো আৰু
সমাজখন সলাব
নোৱাৰো দেখোন
মুখাবোৰ খুলিব
মহো যে আজি শক্তিহীন
সৃষ্টিৰ বিনাশ হ'বলৈ
আৰু কিমান দিন ?

~ নয়নমণি কলিতা
বি.এড প্ৰথম বৰ্ষ

# অনুভূতিৰ পানচৈ

এবুকু অনুভূতিৰ টোপাল সাৱৰি
হাতত কলম তুলি লিখিবলৈ লৈছো
অব্যক্ত মনৰ এটি আবেগৰ কবিতা,
বিচাৰিছো নিৰলতে সোঁৱৰাব
হিয়াৰ কিছু নোকোৱা কথাবোৰ
এয়া ধাৰাসাৰে সৰি পৰিছে
হিয়াৰে অগণন আবেগৰ বৃষ্টি
তথা মোৰ মন ফুলনিত ফুলি থকা
থোপা-থুপি সুখৰ হাঁহি
তথা দপ্‌-দপকৈ জ্বলি উঠা
তপত বিষাদৰ অগনি,
মোৰ মন ফুলনিত অনুভূতিবোৰে
স্নিগ্ধ সুবাসৰ ফুল হৈ ফুলিছে,
কত যে হেঁপাহৰ আশাবোৰে ৰিঙিয়াইছে,
তাৰেই শব্দবোৰে পখিলা হৈ উৰিছে
আৰু যেন কলমে পখিলা খেদি অক্লান্ত মাজনিশা,
চৌদিশ কলা আৰু বৰ্ষাৰে কোলাহলতা,
লিখিবলৈ লৈছো সামৰি সামৰি জীৱনৰ পৃষ্ঠাত
লুটিয়াই পোৱা কিছু পুৰণি হুমুনিয়াহ,

মৌ-সনা মিঠাৰে অপৰিসীম নষ্টালেজিয়া,
লিখিব বিচাৰিছো মৌনতাত নিথৰ, পোহৰ দ্বীপ্ত
মোৰ হিয়াৰ আকাশত জ্বলি থকা প্ৰেমৰ সঁফুৰা
ব্যস্ততাৰ আঁৰত বুকুৰ শূন্যতা ;
কিন্তু মোৰ এই অনুভূতিৰ আদাৰখনত
অভাৱ ঘটিছে মাথো !
শব্দবোৰে লুকা-ভাকু খেলিছে
মতলীয়া হৈ পৃষ্ঠাৰ আঁৰত ।
তথাপি শব্দৰ তৃষ্ণাতে যেন
উটি-ভাহি ফুৰিছে মোৰ লিখাৰ মাদকতা ;
অনুভূতিৰ বৰ্ষাৰণ্যত তিতি-বুৰি লিখিব বিচাৰিছো
অব্যক্ত মনৰ এটি জীয়া কাহিনী
তথা হিয়াৰে কিছু আৱেগৰ কবিতা ।



ভূমিকা ৰাভা
বি.এড. প্ৰথম বৰ্ষ

# নিৰ্জনতাৰ সমিধান

নিৰ্জনতা শূন্য জানো ?
ওহো ; নহয়,
যিয়ে ব্যক্তিত্বক পূৰ্ণতা দিয়ে
সেয়া জানো শূন্য হ'ব পাৰে !
সামগ্ৰীক আনন্দৰ পিছত হোৱা
প্ৰতিযোগিতাৰ অংশ হেৰাতকৈ
যদি, নিৰ্জনতাও বাছি
বিচাৰে হেৰাই যোৱা সত্তাক,
বিচাৰে যদি পুৰণি কাহিনীৰ
নিভাঁজ সুখবোৰ,
বিচাৰে যদি কোনোবা কবিৰ
হেৰাই যোৱা শব্দবোৰ,
তেতিয়াকৈ পৰিপূৰ্ণ আছেনে অন্য ?
নিৰ্জনতা নিঃসংগৰ সংগী ।
গভীৰতম ভাৱক আবৰিব জনা
শুভ্ৰ আঁচল ।
কাষো শুনিবলৈ সময় নথকা
ঘাঁবোৰৰ ৰহস্য

নিৰ্জনতাইতো একান্ত আগ্ৰহেৰে শুনে ।
মনক মাধুৰ কৰা ক্ৰন্দনক
কেৱলে নিৰ্জনতাই নিচুকাব জানে ।
শুকাই ফাঁট মেলিবলৈ ধৰা মনটোকো
দেখোন নিৰ্জনতাৰ বৃষ্টিয়েহে
জীপাল কৰি সেউজীয়া ৰং আনিব পাৰে ।
তেন্তে নিৰ্জনতা শূন্য কেনেকৈ হ'ব ?
নিৰ্জনতা পূৰ্ণ ।
কোলাহলে উকৰাব নোৱাৰাকৈ পৰিপূৰ্ণ ।

কৰবী শৰ্মা
বি. এড. প্ৰথম বৰ্ষ



# THE JOY OF OPPORTUNITIES

Down the moon
To open one strong
and bright shine
Unlock the door of brave
Lock the fear
Broken hearts to throw
Time to rise new feelings.
As the sun warms up
To embrace
the joy of opportunities

~ Prastuti Kalita

B.Ed 1st year



# VERSES OF DEVOTION

If I were a bard,
I'd weave the sweetest verses for you.
If I were a star,
I'd illuminate your nights with my glow.
If I were a gentle breeze,
I'd dance through your curly bangs
Whispering secrets.
If I were a magician,
I'd conjure wonders, yet none would
Compare to my princess.
If I were a traveler of the heavens,
I'd journey between realms, just to be by
your side.
At they very end, I'd seek out dreams,
And ask,
Would you share your smile with me for
all eternity?

~ Chanakya Daimari
B.Ed 1st year

# जिन्दगी

कल एक झलक जिन्दगी को देखा
वह राहों पे मेरी गुणगुणा रही थी,
फिर ढूँढा उसे इधर-उधर
वह आँख मिचौली कर मुस्कुरा रही थी,
एक अरसे के बाद आया मुझे करार
वह सहला के मुझे सुला रही थी,
हम दोनों क्यूँ खफा हैं एक दूसरे से
मैं उसे और वह मुझे समझा रही थी,
मैंने पूछ लिया - क्यों इतना दर्द दिया कमबक्त तूने,
वो हँसी और बोली - मैं जिन्दगी हूँ पगले
तुझे जीना सिखा रही थी।

~ परिस्मीता दास
बि.एड. प्रथम वर्ष

# कुछ बातें

वह जो तुम कहते हो कि हँसते हुए बहुत
खुबसुरत लगती हो,
लेकिन मैं कहती हंसती हुई खुबसूरती की वजह
बनना चाहोगी क्या ?

कहते हो तुम्हारी आंखें कितने प्यारी लगती है,
लेकिन मैं कहती उस प्यार भरे आखों में
डूबना चाहोगे क्या ?

कहते हो चंद्रमा-सी लगती हो मैं कहती उस
चन्द्रमा की उज्ज्वलता में लीन होना चाहोगे क्या ?

ये जो तुम कुछ कहो, मैं कुछ कहूँ यह सारी बातें
व्यर्थ-सी लगती है क्योंकि ये सब, ख्यालों की जो बातें हैं।
हकीकत में न तुम कुछ कहोगे और न मैं,
अगर होंगे तो वह सिर्फ इशारों की बातें।

~ शाहिन फारहाना
बि. एड. प्रथम वर्ष

# প্রবন্ধ বিতান

# বিহু, বিহুৱান আৰু তাঁতশাল

ব'হাগ মানেই বিহুৰ বতৰ। ব'হাগ মানেই নাহৰ ফুল ফুলাৰ বতৰ, নাহৰ ফুলৰ গোন্ধত লাহৰীৰ গাত ভং হেৰোৱাৰ বতৰ। ব'হাগ মানেই পাহাৰ বগাই বগাই আনি চেনেহীৰ খোপাত কপৌ ফুল গুজি দিয়াৰ বতৰ। ব'হাগেই চেনাই ধনক লুকাই চুৰকৈ চেনেহৰ বিহুৱান দিয়া বতৰ।

আহানিৰ পৰা চেনেহীয়ে চেনাইক মৰমৰ চিন, চেনেহৰ বাগিৰে বৈ বিহুত ফুলাম বিহুৱান দিয়া পৰম্পৰা বিদ্যমান।

বিহুৱান হ'ল অসমীয়া জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগ। বিহুৱান প্ৰেমৰ প্ৰতীক। বিহুৱান মৰমৰ উপহাৰ। বিহুৱানৰ ভাঁজে ভাঁজে বিয়পি থাকে চেনাইলৈ চেনেহীৰ মৰমৰ সুবাস। বিহুৱান অবিহনে বিহু অসম্পূৰ্ণ। ফাগুন গৈ চ'তত ভৰি দিলেই শিপিনী সকলৰ গা সাতখন আঠখন হয়। হেঁপাহৰ বিহুৱানখন তৈয়াৰ কৰিবলৈ যতঁৰ, উঘা, চেৰেকী, মাকো সকলোবোৰ সাজু কৰি লয়। কোনটো ফুলৰ কেইটা কাঠি, কোনপাহ ফুলে শুৱাব তাকে ভাবি ভাবিয়েই গাত অৱশি নথকা হয়। দহ বন কাটি কৰি থৈ শিপিনীসকল ব্যস্ত হৈ পৰে বছৰেকৰ বিহুত প্ৰিয়জনক দিবলৈ বিহুৱান বোৱাত। তাঁতশালৰ নাচনিয়ে নাচে, পৰকাৰ্য্যে উৰাহদি নাগায়। খিট খিট মাকোৰ শব্দত চাৰিওদিশ ৰজনজনাই যায়।

অসমীয়া শিপিনীসকল অতীতৰ পৰাই বোৱা কটাত পাৰ্গত আছিল। শাল বব নজনাটো অসমীয়া মহিলাৰ বাবে আছিল লাজৰ বিষয়। যি কথা বিহুগীত, বনগীত, সমূহতো শুনা যায় এনেদৰে –

বৱও নেজানে কাটিবও নেজানে
লোকৰ শালে শালে ফুৰে
ৰান্ধিব নেজানে বাঢ়িব নেজানে
খৰি মুঠা মুঠে পুৰে।

সেয়ে শাল বব নজনা অসমীয়া মহিলা খুব কমেই আছিল। অতিকৈ চেনেহৰ তাঁত শালখন অসমীয়া শিপিনীৰ বাবে প্ৰাণৰ বস্তু। তাহানিতেই মহাত্মা গান্ধীয়েও অসমীয়া শিপিনীৰ বয়ন প্ৰতিভাৰ প্ৰশংসা কৰি থৈ গৈছে। অসমীয়া শিপিনীয়েই ৰাতিটোৰ ভিতৰত কপাহ ধুনি, পাজি বাটি, সূতা কাটি কাপোৰ বৈ বঙহৰ দেউক বগলৈ পঠিয়াইছিল। অসমীয়া শিপিনীৰ হাতৰ পৰশতেই সৃষ্টি হৈছিল ছাঁতে শুকোৱা, মুঠিতে

লুকোৱা পাট কাপোৰৰ ।

কিন্তু সাম্প্ৰতিক সময়ত বিহুৰ বতৰতো তাঁত শালৰ মাত শুনিবলৈ পোৱা নাযায়। এতিয়া যেন বিহুত বিহুৱান ববলৈ মানুহবোৰৰ সময়ৰ অভাৱ। সকলোৱে মাথোন বজাৰত সহজলভ্য বাহিৰাপত গামোছা কিনিবলৈ ঢাপলি মেলা পৰিলক্ষিত হয়। অসমীয়াৰ অন্যতম সাংস্কৃতিক উপাদান তাঁত শালো আজি বিলুপ্তপ্ৰায়। আজিৰ প্ৰজন্মৰ বেছি ভাগেই হয়তো তাঁতশালৰ বিভিন্ন অংশবোৰৰ নাম ক'লে তাক চিনিব নোৱাৰিব। ই এক অশুভ লক্ষন।

তথাপিতো আশা কৰোঁ বিহু থকালৈ বিহুৱান থাকিব। তাঁত শালত শিপিনীয়ে প্ৰণয়ৰ ফুলাম সপোন ৰচিব আৰু বছৰেকৰ বিহুটিত চেনাই ধনলৈ বুলি পাব —

'মৰমৰ দীঘ দি          চেনেহৰ বাণি বই
হেঁপাহৰ আঁচুৰে বোৱা,
সপোনৰ ফুলেৰে          ফুলাম মোৰ বিহুৱান
মনেদি এৰেলি লোৱা।



~ ময়ুৰাক্ষী ভৰালী
বি.এড. দ্বিতীয় বৰ্ষ

# আনুষ্ঠানিক শিক্ষাপ্ৰদানত প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা

প্ৰশিক্ষণ আনুষ্ঠানিক শিক্ষাপ্ৰদানৰ এক অবিচ্ছেদ্য অংগ। যিটোৰ অবিহনে কোনোৱে এখন উচ্চ বিদ্যালয়ত শিক্ষা দান কৰিব নোৱাৰে। জানিব পৰা মতে পূৰ্বতে ইয়াৰ প্ৰাসংগিকতা ইমান নাছিল কাৰোবাৰ হলে হ'ল নহলে নাই। কিন্তু আজিৰ শিক্ষা প্ৰতিষ্ঠানত ইয়াৰ প্ৰয়োজনীয়তা যথেষ্ট গুৰুত্বপূৰ্ণ। আজিৰ পৰা প্ৰায় ২০-৩০ বছৰ আগতে যধে-মধে শিক্ষক নিযুক্তি দি যেনেতেনে বিদ্যালয়খনৰ কামখিনি অৰ্থাৎ পাঠদান কাৰ্য্য সমাপণ কৰিছিল। কিন্তু আজিৰ শিক্ষা ব্যৱস্থা যথেষ্ট উন্নত। ভাবিব লাগে যে উচ্চশিক্ষা গ্ৰহণ কৰা ব্যক্তি এজনে ভাল শিক্ষাদান দিব নোৱাৰিবও পাৰে। তেনে উদাহৰণৰ অভাৱ নাই। সেয়েহে মহান শিক্ষাবিদসকলে চিন্তা-চৰ্চা কৰিলে যে উচ্চ শিক্ষা লোৱাৰ উপৰিও শিক্ষা বিষয়ৰ ওপৰত পৰ্য্যায়ক্ৰমে একোটা প্ৰশিক্ষণ লোৱাটো অতি দৰকাৰ। প্ৰশিক্ষণ গ্ৰহণ কৰি অহা ব্যক্তি গৰাকীয়ে ছাত্ৰ-ছাত্ৰী গৰাকীক কি ধৰণে শিক্ষাদান কৰিব লাগিব তাক বুজিব পাৰে। কিন্তু অপ্ৰশিক্ষিত ব্যক্তি গৰাকীয়ে সেইটো নোৱাৰিব পাৰে। গতিকে পৰ্য্যায়ক্ৰমে বিদ্যালয় সমূহত এই প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিকহে নিযুক্তি প্ৰদান কৰি অহা দেখা গৈছে।

জানিব পৰা মতে পূৰ্বৰ শিক্ষানীতি বৰ কঠিন আছিল। প্ৰায় লৰা-ছোৱালীয়ে বিদ্যালয়লৈ যোৱাতো বৰ বেয়া পাইছিল। কাৰণ হকে বিহকে শিক্ষক একোজনে ছাত্ৰ-ছাত্ৰী বিলাকক শাস্তি

বিইছিল। তাৰ ফলত বহুত মানুহ বিদ্যালয়লৈ নোযোৱাকৈ থাকি নিৰক্ষৰ হৈ থাকিব লগা হৈছিল। এই ক্ষেত্ৰত অকল ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱককেই দায়ী নহয়, সমানে শিক্ষক-শিক্ষয়িত্ৰী সকলো দায়ী বুলি মই কব বিচাৰো। শিক্ষক-শিক্ষয়িত্ৰী সকলে শাস্তিৰ পৰিৱৰ্তে কি কৰিলে ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ প্ৰতি মনোগ্ৰাহী হ'ব, সেইটোৰ ওপৰত বেছি গুৰুত্ব দিয়াটো, চিন্তা কৰি এই প্ৰশিক্ষণ লব লগাটো বাধ্যতামূলক কৰিছে। পূৰ্বৰ তুলনাত আজিৰ উত্তীৰ্ণৰ হাৰ যথেষ্ট বেছি। দেশৰ উন্নতিৰ লগে-লগে ৰাজ্যসমূহৰ অগ্ৰগতিও শলাগ লবলগীয়া। ইয়াৰ মূলতে কব লাগিব প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা শিক্ষা প্ৰদান। ইয়াৰ উপৰিও অভিভাৱক অভিভাৱিকা সকলো যথেষ্ট জ্ঞানী বা বুজা পৰা কাৰিব পৰা লোক। যাহওক মইও এই লক্ষ্য আগত ৰাখি, আটাইৰে মংগল কামনা কৰি এই ক্ষুদ্ৰ ভাৱধাৰাৰ অন্ত পেলালো।




~ৰিমঝিম্ ভৰ্ডকা
বি.এড দ্বিতীয় বৰ্ষ

# মহো-হো উৎসৱৰ বিষয়ে একলম

মহো-হো বা মহ খেদা উৎসৱ অসমত উদযাপন কৰা এটা লোক উৎসৱ। এই উৎসৱ বিশেষকৈ নামনি অসমত উদযাপন কৰা হয়। অসমীয়া ভাষাৰ 'মহ' আৰু বড়ো ভাষাৰ 'হো' পদৰ মিশ্রিত ৰূপ হৈছে 'মহহো'। ইয়াৰ পৰাই মহোহো শব্দৰ গঠিত হৈছে। নামনি অসমৰ প্ৰধানকৈ কামৰূপ, গোৱালপাৰা, নলবাৰী, বাক্সা, দৰং, বৰপেটা আদি জিলাত এই উৎসৱৰ প্ৰচলন দেখা যায়।

মহো-হো উৎসৱ আঘোণ মাহৰ পূৰ্ণিমা তিথিত উদযাপন কৰা হয়। এই উৎসৱ বিশেষকৈ গাঁৱৰ গৰখীয়া আৰু চেমনীয়া ডেকাবোৰে আনন্দেৰে পালন কৰে। চেমনীয়া ল'ৰা আৰু ডেকাবোৰে একো একোটা দলত ভাগ হৈ সন্ধিয়া সময়ত হাতে-হাতে বাঁহৰ লাখুটি বা লাঠি লৈ মানুহৰ চোতালে চোতালে গৈ ঘূৰি-ফুৰি কিছুমান গীত গায়। এই গীতবোৰক মহোহো গীত বোলে। দলটিত একোজনকৈ দলপতি আৰু শুকান কলপাত গাত মেৰিয়াই লোৱা এজন নটুৱা থাকে। দলপতিয়ে মহোহো গীতৰ প্ৰথম শাৰীটো গাই দিয়ে আৰু তেওঁক অনুসৰণ কৰি বাকী সদস্যকেইজনে পিছৰ শাৰীবোৰ সমবেত কণ্ঠেৰে গাই যায়। নটুৱাজনে নাচি-নাচি দলটোৰ মাজে মাজে ঘূৰি থাকে। শেষত গৃহস্থক আশীৰ্বাদ দি তেওঁলোকৰ পৰা চাউল বা টকা গ্ৰহণ কৰে। এয়াই মহো-হো উৎসৱৰ পৰম্পৰা। এই উৎসৱত গোৱা কিছুমান গীত পৰম্পৰাগতভাৱে জনসাধাৰণৰ মুখে মুখে চলি আহিছে।

বাঁহৰ লাখুটি বা টাকোনেৰে শব্দ কৰি গোৱা গীতৰ ৰূপ এনেধৰণৰ —

'অহোঁ - হোঁ মহোহোঁ
মহ খেদ্‌বা টাকোন লৌ
মহে খেলে মৰ্লু দে,
টেপোল পুৱা খালো দে' .... ইত্যাদি ।

লোক বিশ্বাস অনুসৰি মহ খেদা গীত গালে মহবোৰ ভয়ত আঁতৰি যায় বুলি প্ৰবাদ আছে। আঘোণ মাহ অসমৰ কৃষক সমাজে ঘৰৰ ঘাম মাটিত পেলাই চহ কৰা সোণগুটি চপোৱাৰ সময়। এই সময়ত ধানত পোক ধৰে। সেয়েহে আঘোণ মাহৰ পূৰ্ণিমা ৰাতি মহো-হো উৎসৱ পালন কৰা হয়, যাতে ঘৰৰ পৰা মহ আৰু খেতি পথাৰৰ পৰা পোক-পতংগ নাইকিয়া হয়।

সামৰণিত উল্লেখ কৰিবই লাগিব যে বৰ্তমান আধুনিকতাৰ ধামখুমীয়া আৰু ডিজিটেল যুগত আমাৰ আপুৰুগীয়া লোক উৎসৱ মহো-হো ক্ৰমে হেৰাই গৈছে। এয়া অতি পৰিতাপৰ বিষয়। গতি-কে আমি সমাজৰ পৰা ক্ৰমে হেৰাই যাব ধৰা মহো-হোৰ লগতে অন্য লোক-উৎসৱসমূহৰ বিষয়ে সকলোৰে সজাগ সচেতন হৈ নতুন প্ৰজন্মক চিনাকি কৰাই সাহিত্য-সংস্কৃতিৰে পৰিপূৰ্ণ এখন সমাজ তথা ৰূপে-গুণে শ্ৰেষ্ঠ অসম গঢ়ি তোলাত নিজকে ব্ৰতী কৰাব লাগিব। তেতিয়াহে অসমীয়াৰ অসমীয়াত্ব চিৰদিন জীৱিত থাকিব।

~ অৰ্পনা দাস
বি.এড প্ৰথম বৰ্ষ

# ধৰ্ষণ

~ ভাস্কৰজ্যোতি বৰ্মন

এক ক'লা পাশৱিক ব্যাধি। সহজ ভাষাত বলপ্ৰয়োগী যৌনসংগম। যৌনতা বা যৌন ক্ষুধা হ'ল মানুহৰ স্বাভাৱিক কামনা। অতিমাত্ৰা যৌন ক্ষুধাৰ প্ৰৰণাতহে ধৰ্ষণত উদ্দিপনা যোগায়, সেয়া এক চৰম অপৰাধ। মাত্ৰ কেইটামান মিনিটৰ যৌন তৃপ্তিৰ খাতিৰত নাৰী এগৰাকীৰ সতীত্বৰ তেজত কলংক সানে। পুৰুষত্বক ধূলিস্যাত কৰি সমাজত কা-পুৰুষৰ পৰিচয় দাঙি ধৰা তেনে দানৱৰূপী মানুহৰ আজিও সাহস হয়, আজিও তেনে লোক স্বাধীনভাৱে মুকলি আকাশৰ ছাত্ৰছায়াত। মানৱ জাতিক কলংকৰ দাগ সনা এই মানুহবোৰ সমাজত কেনেকৈ স্থান পায়?

মাতৃভূমি অৰ্থাৎ আমাৰ দেশখনক নিজৰ মাকৰ লগত তুলনা কৰা হয় তেনেস্থলত এনে অপৰাধ ঘৃণনীয়া।

পৃথিৱীৰ আটাইতকৈ বিখ্যাত মহাকাব্য মহাভাৰতৰ পৰা শ্ৰীমদ্ভাগৱত গীতাৰ প্ৰসংগত ক'বলৈ গ'লে সেই দ্বাপৰ যুগৰ পৰা ত্ৰেতা যুগলৈ যি'ত নাৰীক শীৰ্ষ স্থান তথা দেৱী ৰূপত অলংকৃত কৰি আহিছে সেইখন দেশতে সতীত্বৰ ওপৰত কালিকা সনা বাবে বিখ্যাত মহাভাৰতৰ যুদ্ধ সংঘটিত হৈছিল।

যেতিয়া দ্ৰৌপদীৰ বস্ত্ৰ হৰণৰ প্ৰতিশোধ ল'বলৈ কুন্তী পুত্ৰ পান্ডৱৰ ভীমে দুঃশাসনৰ হাত ভাঙি দুফাল কৰি পেলাইছিল, যি ভূমিত সীতা হৰণৰ পৰিণাম স্বৰূপে লংকা সাম্ৰাজ্য চূৰ্ণবিচূৰ্ণ হৈ গৈছিল তাৰ সমান্তৰালকৈ তেনে এখন সমাজত নাৰী লাঞ্ছিত, ধৰ্ষিতা।

কা-পুৰুষত্বৰ হিংস্ৰতাৰ বলি হোৱা নিষ্পাপ নাৰী জাতিটোৰ দোষ ক'ত?

পুৰুষত্বৰ ক্ষুধা পূৰণৰ হেপাঁহ ৰচি পবিত্ৰ নাৰী জাতিৰ ৰঙা তেজ কলংকিত কৰা এচাম নৰপিশাচ দানৱৰূপী মানুহৰ সমাজত স্থান কিয়?

মাত্ৰ কেইটামান মুহূৰ্তত কা-পুৰুষৰ বাহুৰ হেঁচাত কৰখবকাই

থাকি জীৱনৰ ভিক্ষা খোজা, কাতৰ আৰ্তনাদ ধৰাশায়ী নিৰুপায় সত্তা সেই নাৰী । এগৰাকী নাৰীক কামনাৰ স্বীকাৰ কৰি পৱিত্ৰ যৌৱন কুলসিত কৰা সেই অসুৰীক, অমানৱ পুৰুষ ।

হে অমানৱ, তহঁতৰ অলপো অনুকম্পা নজন্মে নে ? তহঁত ইমান নৃশংস তেজৰ প্ৰাণী নে ? ক'ত হেৰাল তহঁতৰ জীৱ শ্ৰেষ্ঠ মানৱীয়তাৰ বিবেক ?

একমাত্ৰ জীৱশ্ৰেষ্ঠ প্ৰাণী মানৱ দেহৰ কবচ পৰিধান কৰি, বিবেকক হত্যা কৰি, নাৰকীয় চৰিত্ৰৰ পৰিচয় দি, আন্ধাৰৰ সুযোগ লৈ দেৱীতুল্য নাৰীক বলাৎকাৰ কৰি জীয়াই থকা ৰুগ্ন সমাজৰ নৰপিশাচ সেই সকল ।

পৃথিৱীৰ আটাইতকৈ বৃহত্তম আৰু দীৰ্ঘতম মানৱ অধিকাৰ সাব্যস্ত কৰা, ২ বছৰ ১১ মাহ ১৮ দিনৰ অন্তত লাভ কৰা আমাৰ ভাৰতবৰ্ষৰ সংবিধান । সংবিধানৰ প্ৰস্তাৱনাই কয় —

WE, THE PEOPLE OF INDIA, having solemnly resolved to constitude India into a SOVEREIGN SOCIALIST SECULAR DEMOCRATIC REPUBLIC and to secure to all its citizens:
JUSTICE, social, economic and political;
LIBERTY of thought, expression, belief, faith and worship;
EQUALITY of status and of opportunity;
and to promote among them all
FRATERNITY assuring the dignity of the individual and the unity and integrity of the Nation.

কিয় মৌন আমাৰ সংবিধান ?

ক'ত গ'ল
"Justice"
"Liberty"
"Equality"

প্ৰশ্ন হয়, সংবিধানখনে আমাৰ মৌলিক অধিকাৰসমূহ সাব্যস্ত কৰিবলৈ সক্ষম হৈছে নে ? কেইগৰাকী ভুক্তভোগীয়ে ন্যায় লাভ কৰিছে ? "JUSTICE"ৰ কথা কোৱা সংবিধানখনে নাৰী জাতিটোক সুৰক্ষা দিব পাৰিছেনে ? এনে লাগে যেন সংবিধানৰ অধিকাৰসমূহ কেৱল সংবিধানৰ পৃষ্ঠাতে সীমাবদ্ধ । নহয় জানো ?

আচলতে আমাৰ কিছুমান ভুল আছে যেনে : জীৱশ্ৰেষ্ঠ সমাজখনত সেই অমানৱ নৰপিশাচবোৰক আমিয়ে প্ৰশ্ৰয় দি আহিছোঁ । ঘটনা এটি সংঘটিত হোৱাৰ পাছতহে আমাৰ সংবেদনশীলতা প্ৰকাশ পায় । কেইদিনমান দিন পাৰ হ'লেই সকলো পাহৰি পুনৰ আগৰ অৱস্থালৈ ঘূৰি যায় সকলো । তেনে সংবেদনশীলতা ক্ষন্তেকীয়া । প্ৰকৃততে আমিবোৰ স্বাৰ্থপৰ, আমাৰ নিজৰ লগত তেনেএক ঘটনা নঘটালৈকে আমি সাৰ নাপাওঁ । দৰাচলতে আনৰ লগত ঘটা অন্যায়বোৰৰ প্ৰতি সংবেদনশীল হোৱাৰ অভিনয়হে কৰোঁ সকলোৱে । যেতিয়ালৈকে সমাজখনে অন্যায়, হিংসা তথা নৰকীয় কাৰ্য্যৰ প্ৰতি নিৰৱতা অৱলম্বন কৰি থাকিব তেতিয়ালৈকে নিৰ্ভয়া কাণ্ড আৰু কলিকতাৰ আৰ. জি. কৰ মেডিকেল কলেজৰ দৰে নৃশংসতাই প্ৰশ্ৰয় পাব । সেয়ে আমি সজাগ হোৱা উচিত আৰু সমগ্ৰ দেশ জোকাৰি যোৱা তেনে কাণ্ড যাতে দ্বিতীয়বাৰ সংঘটিত নহয় তাৰ বাবে চিন্তা চৰ্চা কৰা উচিত ।

এখন দেশ তেতিয়াহে উন্নত আৰু শক্তিশালী হব যেতিয়া দেশৰ মাতৃ তথা নাৰীজাতিটোৱে সুৰক্ষা আৰু মৰ্য্যদা লাভ কৰিব । কাৰণ নাৰী জাতিটো সমাজ এখনৰ মেৰুদণ্ড আৰু চালিকাশক্তি ।

"নারী সমাজস্য
কুশলবাস্তুকারা"
"Women is the skilled
architect of the society."

# আমতিৰ লোকাচাৰ

অসমীয়া লোক-জীৱনৰ অন্যতম লোক উৎসৱ হৈছে আমতি বা অম্বুবাচী। সংস্কৃত অম্বুবাচী শব্দৰ পৰা আমতি শব্দটো হৈছে। ই মূলতঃ এক ঋতুকালীন উৎসৱ। নাৰী ৰজস্বলা হোৱাৰ দৰে বসুমতীও ৰজস্বলা হোৱাৰ ধাৰণাতেই আমতিৰ উদ্ভৱ। আহাৰ মাহত মৃগশিৰা নক্ষত্ৰৰ তিনিপাদ শেষ হ'লে চতুৰ্থপাদ আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদৰ ভিতৰত পৃথিৱী ঋতুমতী হয় বুলি বিশ্বাস কৰি সেই সময়ছোৱাক অম্বুবাচী বুলি কোৱা হয়। এই সময়ছোৱাত প্ৰচুৰ বৰষুণ হয় বাবে পৃথিৱী শস্য সম্ভৱা হৈ পৰে। অম্বুবাচীৰ প্ৰথম তিনি দিনক চুৱা আৰু চতুৰ্থ দিনক শুদ্ধি বুলি ধৰা হয়। লোকাচাৰ অনুসৰি এইকেইদিনত আই বসুমতী ঋতুমতী হয় বুলি বিশ্বাস কৰি কৃষি প্ৰধান সমাজখনে মাটি খন্দা, হালবোৱা আদি কামৰ পৰা বিৰত থাকে। কেওঁলোকে মাটিত সামান্য আঁচ এটাও নামাৰে। আমতিৰ দিনকেইটাত গৃহস্থই ঘৰৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহৰ বাহিৰে আন কাপোৰ-কানি, বিশেষকৈ গোসাঁইঘৰ স্পৰ্শ কৰাৰ পৰা বিৰত থাকে। অসমৰ সকলো মন্দিৰৰ দুৱাৰেই এই সময়ছোৱাত বন্ধ ৰখাৰ নিয়ম প্ৰচলিত আছে। আমতিৰ সময়ছোৱাত বিধৱা তিৰোতাসকলে ব্ৰত পালন কৰা এক নিয়ম চলি আহিছে। নিবৃত্তিৰ দিনাখন গৃহস্থই চৰু-হাঁড়ি, কাপোৰ-কানি ধুই পৰিষ্কাৰ কৰি আমতিৰ চুৱা গুচায়। এই সময়ছোৱাত ফলমূল খোৱাটো এক নিয়মৰ লেখীয়া।

আমতিৰ কালছোৱাত কামাখ্যা ধামত পালন কৰি অহা অম্বুবাচী মেলাই আজিও এক সুকীয়া স্থান লাভ কৰি আছে। অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে শক্তিপীঠ কামাখ্যা ধামৰ দুৱাৰ বন্ধ কৰি দিয়া হয়। সেইকেইদিন দেৱী দৰ্শন বন্ধ হৈ থাকে। চতুৰ্থদিনা মন্দিৰৰ দুৱাৰ খোলাৰ পিছত দেৱীৰ স্নান, পূজা প্ৰভৃতি সমাপন কৰি ভক্তসকলৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিয়া হয়। অম্বুবাচীৰ দিনকেইটাত কামাখ্যা ধামৰ চৌপাশ লোকে লোকাৰণ্য হৈ পৰে। দেশ-বিদেশৰ পৰা অহা বিভিন্ন সাধু-সন্যাসী, ভক্তই মন্দিৰৰ চৌপাশে নাম-কীৰ্তন কৰি ভক্তি ৰসৰ সৃষ্টি কৰে। কামাখ্যা ধামৰ অম্বুবাচী মেলাই জাতীয় সম্প্ৰীতিত এক উল্লেখযোগ্য অৰিহণা যোগাইছে বুলি ক'ব পৰা যায়।

বিজ্ঞান-প্ৰযুক্তিৰ দ্ৰুত উন্নয়নৰ লগে লগে আধুনিক সমাজ ব্যৱস্থাত যদিও এইসমূহ লোকাচাৰৰ প্ৰয়োগৰ তথা গ্ৰহণযোগ্যতা কমি গৈছে, তথাপি আমাৰ প্ৰজন্মই নিজ নিজ লোক পৰম্পৰাসমূহৰ বিষয়ে অধ্যয়ন কৰি সেইসমূহ সংৰক্ষণ কৰিবলৈ চেষ্টা কৰা উচিত।

~ পলাশজ্যোতি দাস
বি.এড. দ্বিতীয় বৰ্ষ

# ঐতিহ্যমণ্ডিত সৰ্থেবাৰীৰ কাঁহ শিল্প: এটি চমু আভাস

কাঁহ শিল্পৰ ঐতিহ্যৰে সমৃদ্ধ কাঁহ শিল্পৰ পীঠ-ভূমি সৰ্থেবাৰী। আন ঠাইত ৰাতি পুৱাই কুকুৰাৰ মাতত অথবা এলাৰ্ম ক্লকৰ শব্দত। কিন্তু সৰ্থেবাৰীত সূৰ্যোদয় আৰু সূৰ্যাস্ত হয় কাঁহৰ টুনুক টানাক শব্দত। সৰ্থেবাৰীত কাঁহ শিল্পৰ গৌৰৱময় ঐতিহ্যৰ কথা বাণভট্টৰ 'হৰ্ষচৰিত'ৰ পৰা অনুমান কৰিব পাৰি। সপ্তম শতিকাত কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই কনৌজ অধিপতি হৰ্ষবৰ্দ্ধনক দুই ৰাজ্যৰ সম্প্ৰীতি সুদৃঢ় কৰাৰ বাবেই কাঁহৰ পাত্ৰ উপহাৰ হিচাপে দিয়া কথা আমি বুৰঞ্জীত পাওঁ। সেই তাহানিৰ পৰাই কাঁহ শিল্পই সৰ্থেবাৰীৰ সৌষ্ঠৱ বৃদ্ধি কৰি আহিছে। অসমৰ বাহিৰেও পৃথিৱীৰ আন বহুতো ঠাইত কাঁহ শিল্পই সমাদৰ লাভ কৰি আহিছে। অতীজৰে পৰা বৰ্তমানলৈ দেশ-বিদেশৰ বিভিন্ন ঠাইলৈ কাঁহ শিল্পৰ সৰবৰাহ হৈ আছে। অসমৰ প্ৰত্যেক মানুহৰ ঘৰতে আমি কাঁহৰ বাচন-বৰ্তন দেখিবলৈ পাওঁ। অসমীয়া সমাজত কাঁহৰ গুৰুত্ব কোনোদিনে কমি যোৱা নাই। সৰ্থেবাৰীত উৎপাদিত কাঁহৰ সামগ্ৰী কলহ, চৰিয়া, বটা ইত্যাদি কইনাৰ লগত নিদিলে



মান-মৰ্যাদা ক্ষুন্ন হয় বুলি এটা ধাৰণা অসমীয়া সমাজত এতিয়াও প্ৰচলিত হৈ আছে। ২০২৪ চনতে সৰ্থেবাৰীৰ এই কাঁহ শিল্পই GI TAG লাভ কৰিবলৈও সক্ষম হয়। কাঁহ শিল্পই কাৰিকৰী দিশত অগ্ৰগতি লাভ কৰাৰ লগে লগে শিল্পী সকলৰ চাহিদাও বাঢ়ি আহিছিল। কিন্তু কঁহাৰ সকল অসংগঠিত হোৱাৰ বাবেই মহাজনৰ শোষণৰ বলি হব লগা হৈছিল। সেই বাবেই মহাজনৰ শোষণৰ পৰা কঁহাৰ সকলক মুক্ত কৰাৰ বাবেই ১৯৩৩ চনত 'অসম সমবায় কঁহাৰ সংঘৰ জন্ম হৈছিল। এই সংঘই কাঁহ শিল্পী সকলৰ বাবে বহুতো কাম কৰি আহিছে। বিশেষকৈ আজিৰ সময়ত নিবনুৱা সমস্যাৰ যি বৃদ্ধি আমি দেখিবলৈ পাওঁ তেনে স্থলত এই কাঁহ শিল্পৰ দ্বাৰা বহুতো নিবনুৱাই কৰ্ম সংস্থাপন পোৱা দেখিবলৈ পোৱা গৈছে। কিন্তু বৰ্তমানেও এই কুটীৰ শিল্পৰ সিমানখিনি বিকাশ হব পৰা নাই। আৰু ইয়াৰ বিকাশৰ বাবে স্থানীয় ৰাইজ তথা চৰকাৰে উচিত পদক্ষেপ ললে ই নিশ্চয়কৈ আমাৰ ৰূপহী অসমৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায়ক হব।

প্ৰজ্ঞা তালুকদাৰ
বি.এড প্ৰথম বৰ্ষ

# সম্পৰ্কৰ ব্যৱধান আৰু আপোনাৰ কৰণীয়

ভুল সকলোৰে হয়, আপোনাৰ সংগই যদি কিবা ভুল কৰিছে তেখেতক তেওঁৰ দৃষ্টিভংগীৰে বুজাবলৈ চেষ্টা কৰক। সময় সদায় একে নাথাকে, যাৰ সান্নিধ্যত বহু দুখ যন্ত্ৰনাৰ উপশম হয় সেইজনৰ পৰা কেতিয়াবা আঁতৰত থাকি হাঁহি এটি পিন্ধিব লগা হয়, পিন্ধন উৰণ কেতিয়াবা কৃত্ৰিমো হব পাৰে। ইনবক্সত এটি মেছেজ আহে ক্ষোভ সামাজিক মাধ্যমত প্ৰকাশ কৰে, আমি কি পৰামৰ্শ দিব পাৰো এওঁলোকক। যি মানুহ স্বভাৱতে সৰল, এনেলোকৰ দুখৰ বোজা বহুতেই গধুৰ। বিশ্বাসক আকোৱালি লয়, আশাবোৰ প্ৰত্যাশা কৰি লয়, আপোনাৰ সৰ্বস্বতা সকলোৰে বোধগম্য নহবও পাৰে। তেতিয়াই সম্পৰ্কৰ ছিদ্ৰ বৈ যায়।

সম্পৰ্ক এনেদৰে গঢ়ক যত মূল্যবোধ ইজনে সিজনৰ বাবে বহুত বেছি। আপোনাৰ সংগ যতে নহওক, যিমান দূৰলৈ নাযাওক কিছু কথা কেৱল আপোনাৰ লগত আলোচনা কৰক। সৰু সৰু ধেমালীৰে জীৱন সজাওক, উদ্বিগ্নতাৰ কাহিনী শুনিবলৈ আপোনাৰ তাত অলপ সময় ৰাখক, আৰু দেখুৱাবলৈ অসমৰ্থ হলেও উপদেশ দিয়াৰ অভ্যাস এৰি নিদিব, মুখামুখিকৈ কথাবোৰ আলোচনা কৰক, মোবাইল ফ'নত আপোনাৰ সুখৰ অভিব্যক্তি, হৰ্ষবেদনা প্ৰকাশ নাপাবও পাৰে। যি আপুনি চকু দেখিলে ক'ব পাৰিব সংগই কিমান সময় ৰাতি টোপনি মাৰিছে।

সংগীৰ কি আচৰণ সেয়া দ্বিতীয় কথা আপুনি তেনে পৰিস্থিতিত সংগীৰ সৈতে কেনে আন্ত:ক্ৰিয়া কৰিছে সেয়েহে ভাৱৰ কথা। আৱেগৰ সৈতে বাস্তৱৰ মিল নাথাকে সকলো কথাতে।

স্বাৰ্থ কাৰ নাই? উশাহ লবৰ বাবেও নিশাহৰ প্ৰয়োজন। ভাল খেতি এভৰাৰ বাবেও বৰষুণৰ প্ৰয়োজন কিন্তু ধুমুহা নহয়, নিজৰ জীৱন গঢ়াৰ বাবেও অলপ সময়ৰ প্ৰয়োজন কিন্তু আপোনাৰ আশাত বৈ থকা মানুহবোৰক কষ্ট দি নহয়। বৃত্তিৰ আশা ভেকা জীৱনৰ এক বিৰাট অনিশ্চয়তা, কষ্ট কৰিয়ো যেতিয়া সফল নহয়, ভাগ্যই লগ নিদিয়ে, নিৰাশা তাতেই আশ্ৰয় লয়। মানুহ বোৰৰ পৰা আতৰিব লগা হয়, মিছা কথা কৈ অকলশৰীয়াকৈ থাকি সময় কটাবলৈ অভ্যাস কৰে বহুতেই। কিন্তু দায়িত্বৰ ভাৰ মনৰ চিন্তা লগতেই সংগী হৈ থাকে। এই সকলৰ মনৰ বোজা কোনে কমাব, আমি জানো গম লওঁ, সফল ব্যক্তিক সফলতাৰ কৌশল বহুতে সুধে, কিন্তু জানিব বিচাৰে জানো তেওঁৰ যাত্ৰাত কি হেৰুৱাইছে? সম্পৰ্কৰ তালিকাখন আমাৰ বহুত বেছি, কাৰোবাৰ পুত্ৰ, কাৰোবাৰ ভতিজাক, কাৰোবাৰ বন্ধু, কাৰোবাৰ ভাগিন কিন্তু কিমান জনে বুজিব চেষ্টা কৰে আপোনাক, কৰ্ম ব্যস্ততা দেউতাকো বাহিৰত পঢ়ি থকা সন্তানক টকা পঠিয়ালে দায়িত্ব শেষ নহয়, সংগ্ৰামৰ কাহিনী তেওঁৰো অৱগত হ'ব লাগিব। "কি খবৰ বুলি কোনোবাই সুধিলে উত্তৰত ভাল বুলি শুনিলেই

তেখেতৰ যে ভুল সেয়া নুবুজায়। বেমাৰ কেৱল শৰীৰৰে নহয়, মনো অসুস্থ হয়। মনৰ বেমাৰত সংগই চিকিৎসকৰ কাম কৰিব পাৰে। আন্তৰিকতা, মৰম, চেনেহে দৰৱৰ কাম কৰিব পাৰে। জীয়াই ৰাখক সকলোৰে নিজৰ সম্বন্ধবোৰ সম্পৰ্কবোৰত ফাট মেলিব নিদিব। অভিনয় কৰিব জনা শিল্পীজনেও নিজানত কান্দে। জীৱনৰ বহু দুখ কষ্টৰ খতিয়ান ৰাতি ভৰা যায়। সম্পৰ্কবোৰক সময় দিয়ক, বিশ্বাস, ভৰসা দায়িত্ববোধেৰে জী তুলক আপোনাৰ প্ৰিয়জনক। আপোনাৰ আদৰ্শ, সাহস, সৎ স্বভাৱে আন্তৰিকতাৰে আপোনাৰ সংগক হয়তো বহুদূৰ আগুৱাই নিব যিটো আপোনাৰ দায়িত্ব।

~কেশৱানন্দ গগৈ
বি.এড দ্বিতীয় বৰ্ষ



# সফলতাৰ আন এক নাম সংগ্ৰাম

"সংসাৰ যুঁজৰ ঠাই শুবৰ সকাম নাই
কাচি-পাৰি যুঁজা সবে কৰি প্ৰাণপণ।"

জীৱনৰ আন এক নাম সংগ্ৰাম। জীৱনটো ৰঙীন ফুলৰ দৰে নহয়। জীৱনটোত আগবাঢ়ি যাওঁতে আমি হাজাৰ হাজাৰ কাঁইটৰ মুখামুখি হব লগা হয়। সেয়েহে এই প্ৰতিবন্ধকতা আৰু বিৰোধী শক্তিক পৰাভূত কৰি সফলতা লাভ কৰিবৰ বাবে মানুহে নিৰৱিচ্ছিন্নভাৱে সংগ্ৰাম কৰি আহিব লগা হৈছে। এই সংগ্ৰামত মানুহে কেতিয়াবা জয়লাভ কৰি গৌৰৱবোধ কৰে আৰু কেতিয়াবা পৰাজয়ৰ গ্লানি শিৰত লৈ ব্যৰ্থহতে হৈ পৰে। পৰাজয় সত্বেও যি মানুহে পুনৰ ককালত টঙালি বান্ধি লৈ বিজয় গৌৰৱৰ ধ্বজা উৰুৱাবলৈ উঠি পৰি লাগে। সেইজন মানুহক সফল ব্যক্তি বুলি কব পাৰি।

সংগ্ৰাম বুলিলে সাধাৰণতে কোনো কাম কৰিবৰ বাবে জীৱনত কঠোৰ প্ৰয়াস কৰাকে বুজায়। আমি ৰামায়ণ মহাভাৰতৰ যুগৰে পৰা সংগ্ৰাম শব্দটোৰ লগত পৰিচিত হৈ আহিছো। কিন্তু বাস্তৱজীৱনত বৰ্তমানৰ প্ৰেক্ষাপটত কিছুসংখ্যক মানুহে বৰ্তমান যান্ত্ৰিকতাৰ কবলত পৰি সংগ্ৰাম শব্দটোৰ প্ৰতি কিছুসংখ্যক লোকৰ চিন-চাব নোহোৱা হৈছে। বৰ্তমান যুগত আমি কেৱল এজন ব্যক্তিৰ সফলতাখিনি চাওঁ, কিন্তু তেওঁৰ সংগ্ৰামখিনি কোনেও নাচায়।

জীৱন গোলাপৰ শয্যা নহয়। সংসাৰো শীতল পাটী নহয়। এই কথা উপলব্ধি কৰি অন্তৰত উদ্যম প্ৰেৰণা, বান্ধি লৈ মানুহ অৱতীৰ্ণ হ'ব লাগে। এই ক্ষেত্ৰত মহৎ লোকৰ জীৱনৰ আৰ্হিও আমাৰ উন্নত, সৰ্বাংগ, সুন্দৰ জীৱন গঢ়াৰ বাটকটীয়া। এপিজে আব্দুল কালাম, মহাত্মা গান্ধী, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ড° ৰাজেন্দ্ৰ প্ৰসাদ আদিৰ দৰে লোকসমূহ অতীতত অতি দুখীয়া আছিল, জীৱনৰ বিপৰ্যয়ে, তেওঁলোকক হতাশ কৰিব পৰা নাছিল। কঠোৰ সংগ্ৰাম, অদম্য সাহসে তেওঁলোকক জগতত মহীয়ান কৰি থৈ গৈছে।

বৰ্তমান যুগত সংগ্ৰামৰ আৱশ্যকতা নিতান্ত প্ৰয়োজনীয়। সংগ্ৰামে মানুহক ব্যক্তিগত উন্নয়নৰ লগতে সামাজিক উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰে। যিদৰে ছাত্ৰ অৱস্থাত এজন ছাত্ৰই সংগ্ৰাম অবিহনে নিজৰ জীৱনৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে, ঠিক তেনেদৰে সমাজত দেখা দিয়া 'কুসংস্কাৰ, অন্ধবিশ্বাস আদি আঁতৰ কৰি সমাজখনক শক্তিশালী পথত উপনীত কৰিবলৈ সংগ্ৰাম কৰিবই লাগিব। সংগ্ৰামী মানুহে কেতিয়াও জীৱনযুদ্ধত হাৰ নামানে।

সংগ্ৰাম অবিহনে জীৱনটো আধৰুৱা। সংগ্ৰাম কৰি আগবাঢ়িলেহে আমি জীৱনটোত সুখ দুখৰ মূল্য বুজিব পাৰো। জীৱনৰ প্ৰত্যেকটো পৰিস্থিতিত নিজকে খাপ খুৱাই আগবঢ়াই নিবলৈ হ'লে আমাক সংগ্ৰামৰ প্ৰয়োজন।

আমাৰ প্ৰত্যেকৰে জীৱনত সৰুবৰ সংগ্ৰাম থাকে। এই সংগ্ৰাম সমূহক লগত লৈ আগবঢ়াটোৱে প্ৰকৃতাৰ্থত জীৱন বুলি কব পাৰি। সংগ্ৰাম অবিহনে যিয়ে এক সৰল গতি পথত আগবাঢ়ে তেওঁলোকৰ জীৱনটো আখৰুৱা হয়।

সংগ্ৰাম হৈছে এক এনেকুৱা অস্ত্ৰ যি অস্ত্ৰই একো একোজন সফল ব্যক্তিৰ জন্ম দিয়াত সহায় কৰে। যিদৰে এজন খেতিয়কৰ সংগ্ৰামৰ বাবে একো একো জোপা নতুন শস্যৰ জন্ম হয়, ঠিক তেনেদৰে একো একোজন ডাঙৰ ব্যক্তিৰ সংগ্ৰামৰ বলত এখন পৰিৱৰ্তনশীল সমাজৰ আৱিৰ্ভাৱ হয়।

~ পল্লৱী ৰাণী চৌধুৰী
বি.এড দ্বিতীয় বৰ্ষ



# লোকসংস্কৃতিৰ বিলুপ্তিকৰণ

যুগৰ পৰিৱৰ্তনৰ লগে লগে আধুনিকতাৰ সোঁতত বৈ বৈ আমি যেন পাশ্চিমীয়া সংস্কৃতিৰ মোহত পৰি আমাৰ আপোন তেজৰ, মাটিৰ গোন্ধ থকা লোকসংস্কৃতিসমূহ পাহৰি পেলালোঁ। নিজৰ সংস্কাৰ-সংস্কৃতিক সগৌৰৱেৰে ধৰি ৰাখিব নোৱাৰোনে আমি? ক'ত গ'ল বিয়া নাম, আইনাম, কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত, নাওখেলৰ গীত, মহখেদা গীত, হোলী গীত? কিছু কিছু অঞ্চলতেই কিয় সীমাবদ্ধ হৈ ৰ'ল অসমৰ এইবোৰ সম্পদ? নিজৰ বুলিবলৈ থাকিল কি? লোকসংস্কৃতি জীয়াই ৰাখিও আমি আধুনিকতা দেখাব পাৰোঁ আমাৰ কৰ্মৰে, ব্যৱহাৰেৰে, জ্ঞানেৰে। অতি চিন্তনীয় নহয় জানো? তাহানিৰে পৰা মুখে মুখে চলি অহা আমাৰ লোকগীতবোৰ যাৰ কোনো নিৰ্দিষ্ট সুৰ, শব্দ নাই, আহ কি যে মধুৰ চকুহাল মুদি শুনি চাইছেনে কেতিয়াবা? যিবোৰ গীতে আমাৰ পৰিৱেশ, খাদ্যসম্ভাৰ, বিশ্বাস, ধৰ্ম, কৰ্ম, ৰীতি-নীতিক প্ৰতিফলন কৰে। শুনিছেনে দেহ-বিচাৰৰ গীত, বনগীত আৰু অন্যান্য সঁচাকৈ আমাৰ মাতৃভূমি 'অসম' সাহিত্য-সংস্কৃতিৰে ভৰপূৰ, গণনা কৰিবলৈ গ'লে এক অন্তহীন তালিকা। নিজৰ সভ্যতা-সংস্কৃতিৰ লগতে পাশ্চিমীয়া সংস্কৃতিৰো কিছু কিছু ভাল দিশ লগতে লৈ এখোজ এখোজকৈ আগুৱাই চিনাকি কৰি দিও বলক বিশ্বত



আমাৰ জন্মভূমি, আমাৰ স্বাভিমান, আমাৰ আই 'অসম'খনক এক সুকীয়া, নিজস্ব সংস্কৃতিবান ৰাজ্য বুলি, গৰ্বেৰে ।

~ মূৰ্চনা দাস
বি. এচ. প্ৰথম বৰ্ষ



# TEACHERS' RESPONSIBILITY IN SHAPING A STUDENTS LIFE

The teachings of religious texts like the Gita, or the noble principles shown by saints like Sri Ramakrishna, Swami Vivekanada are meant to elevate a person's life and broaden their mind. But when these principles are imposed in a rigid or hypo-critical manner, they lose their value. A true teacher should allow for open dialogue and not restrict a person to follow blindly. If children are forced to adhere to rules without understanding, it often leads to frustration and rebellion. Instead of telling children what is 'right' and 'wrong' in absolute terms, it is more important to explain to them the con-sequences of different actions, allowing them to think and make decisions based on understanding rather than fear. This leads to a more profound and genuine respect for values. Only then can a child's true potential unfold, creating a constructive citizens who contribute positively to society. It is the responsibility of educators and parents to nurture a supportive atmosphere, where every individual feels valued and inspired. Only through such positive guidance can



one truely teach lessons of empathy and wisdom. If that doesn't happen, he will keep hiding everything from us. Nothing about his situation will be of any help to us. He won't be able to express himself openly. With time, his knowledge will continue to leg behind. This is why we need real teachers who inspire love and respect from everyone. I feel that in any subject, along with theoretical learning, mechanical, technological, industrial and commercial adjunts (e.g., workshop practices, crafts, arts, and business skills) should be provided. Stud--ents should gain direct, practical knowledge of their environment. By participating in such activities, they can achieve personal growth and provide help to their families and society. Without having their own persp-ective, they will lack depth of thought, independent exploration, and the effort to comprehend issues by themselves.

~ Kritidipta Saha
B.Ed 2nd year

# SENSELESSNESS

When I. say senselessness, what does it mean? Is it something foolish or something unusual, well lets understand this first, when you google this that, what is senslessness they will show you this "unconscious state and lack of common sense" and in oxford dictio-nary they will show this "having no meaning or purpose" well, Google is showing more appropriate answer. Now let's understand what is real senslessness is, from my experience I found that senslessness nature is not generated from your illiteracy, it is only born from your ignorance. I have seen many people in my life that they are simply ignorant people including all educated and uneducated people. I found that this is happening just because they never think about other, about consequence and how it will affect others. And the funny thing is this; these kinds of people are damn sure about ignorance (but unconsciously) and the hypocrisy level of them is unexplainable. Most

people claim that they are doing something consequential but when you see them profoundly you will find that it's no meaning by itself. I'm just saying if you're commiting something then you should know how to uphold that. Senselessness does not mean that you are an idiot, the thing is that you need little more vision from inside to see the world because if a teenager or a child does this it would be understandable but after a particular age you should not be like this.

~ Apoorva Jyoti Hazarika
B.Ed. 2nd year

# TIME MANAGEMENT

Time management is an art of having time to do everything that everyone need, without feeling stressed about it. It sounds simple, but it is much harder in practice. Time management is the ability to use your time productively and efficiently. People who are good at time management are good at getting on and doing things. They are better at prior-itising working out what really needs doing and then discarding the other things. They understand the dif-ference between urgent and important. 'Urgent' tasks demand your immediate attention, but wheather you actually give them that attention may or may not matter, and not doing them may have serious consequences for you or others, in that situation important task matter.





~ Pallabi Rabha
B.E.d 1st year

# INTOXICATION ADDICTION IS INCREASING AMONG YOUTH

In the journey of life, some choose a path which brought them to the brink of destruction was that of drugs and bad habits, whether it was addiction to alcohol, drugs or grambling or the internet, the result is the same- destruction of one self and one's loved ones. Drug abuse, also called substance abuse is an illness that is characterized by a destructive patterned use of illegal or legal drug or medication. There are several drug uses around the world and the problem keeps increasing at an alarming rate especially among adults under the age of 30. Drug abuse can cause long term damage to the body, drug addicts who used needles are at a greater risk of having HIV and Hepatitis B and C infections. Today's youths start with the experimental use of recreational drugs out of curiosity, to have



a good time or because friends are doing it. Over time, they may need larger doses of of drugs to get high and as drug use increases, it may get extremely difficult to go without drugs.

Also Tobacco use, including cigarettes and smokeless tobacco is popular among youths. The reason behind that is that in movies, in social circles, in advertisements, they see the use of Tobacco. As the tobacco and compounds burn, they realize thousands of dangerous chemicals including over 40 known to cause cancer. Cigarette smoke contains the poisonous gases Carbon Monoxide and Nitrogen oxide as well as trace amounts of cancer causing radioactive particles, all forms of tobacco are dangerous. On the other hand smokeless tobacco - it is like chewing tobacco and is placed in the mouth, usually between the gum and cheek and also 'Gutka' contains nicotine any many harmful cancer causing chemicals including: Bad breath and stained teeth. Using it can lead to nicotin addition and can cause cancers of the lip, mouth, tongue, throat and esophagus. While it's true that smokeless tobacco

presents slightly fewer health risks tha smoking cigarettes, it's far from safe.

Another one is 'alcohol' - In general, underage drinking can lead adolescents to make poor decisions and engage in potentially harmful behaviour e.g. drinking and driving unsafely. Every year harmful use of alcohol is responsible for 3 million deaths and 5% of the global health burden from road traffic injuries to violence abuse and neglect to disease like liver cirrhosis, heart disease cancer and tuberculosis to mental health issues alcohol dependence depression and suicides.

Neither they care about their family nor themse-lves. No concern for relationships, no concern for one-self. Some youths have ruined their life with their own hands. A person trapped in drugs suffers himself but is unable to give up his addiction even if he wants to. Hopefully all the people struggling with substance abuse will open their eyes and quite wallowing in denial. This isn't joke. Everyone deserves a good quality life free of addiction.

~ Doli Medhi
B.Ed 1st year

# महिला सशक्तिकरण और भारतीय समाज

भारतीय समाज में महिला सशक्तिकरण चुनौतियों और अवसरों दोनों को प्रस्तुत करता है। पारंपरिक मानदंड अक्सर महिलाओं को पूर्वनिर्धारित भूमिकाओं तक सीमित रखते हैं, जिसके कारण जब वे स्वतंत्रता की तलाश करती हैं या अपना करियर बनाती हैं, तो सामाजिक जांच पड़ताल का सामना करना पड़ता है। यह निर्णय विभिन्न रूपों में प्रकट हो सकता है, पारिवारिक अस्वीकृति से लेकर सामाजिक कलंक तक, जो महिलाओं की प्रगति में बाधा डालता है। हालांकि, परिदृश्य धीरे-धीरे बदल रहा है। शिक्षा तक बढ़ती पहुँच और जमीनी स्तर पर आन्दोलनों के उदय ने कई महिलाओं को इन मानदंडों को चुनौती देने के लिए सशक्त बनाया है। महिला उद्यमिता और नेतृत्व को बढ़ावा देने वाली पहल जोर पकड़ रही हैं, जो महिलाओं की समाज और अर्थव्यवस्था में योगदान करने की क्षमता को प्रदर्शित करती है।

घरेलू हिंसा और कार्यस्थल उत्पीड़न को संबोधित करने वाले कानूनी सुधार महत्वपूर्ण समर्थन प्रदान करते हैं, लेकिन गहरी जड़ें जमाए हुए सामाजिक दृष्टिकोण को बदलना आवश्यक है। जागरुकता अभियान और मॉडल धारणाओं को बदलने और स्वीकृति को प्रोत्साहित करने में महत्वपूर्ण है।

अंततः महिलाओं को सशक्त बनाने से न केवल उन्हें व्यक्तिगत रूप से लाभ होता है, बल्कि व्यापक सामाजिक प्रगति को भी बढ़ावा मिलता है। जैसे - जैसे अधिक महिलाएँ अपने अधिकारों का दावा करती हैं और सामाजिक निर्णयों से मुक्त होती हैं, वे अधिक समावेशी और समतापूर्ण भारत का मार्ग प्रशस्त करती हैं। सशक्तिकरण की ओर प्रयास जारी है, लेकिन सामूहिक प्रयास से महिलाओं के लिए अधिक सहायक वातावरण संभव है।

हिमाक्षी नाथ
बि. एड प्रथम वर्ष

# असम में हिन्दी का विकास : संदर्भ और परिप्रेक्ष्य

भारत एक बड़ा देश है। इसी कारण यहाँ भाषिक सामाजिक, सांस्कृतिक, धार्मिक तथा पारम्परिक विविधता का होना लाजिमी है। इन विविधताओं के बावजूद भारतवर्ष सदिओं से एकीकृत और अद्वितीय बना हुआ है। हमारे देश में लगभग सौ से अधिक भाषाएँ और पाँच सौ से अधिक उपभाषाएँ व बोलियाँ हैं। भारत की अनेक भाषाओं में से केवल हिन्दी ही एक ऐसी भाषा है, जिसे अपने क्षेत्र से बाहर फलने-फूलने का अवसर मिला है। वर्तमान हिन्दी विश्व की तीसरी सबसे बड़ी भाषा है। हिन्दी राष्ट्रीय एकता की एक बड़ी शक्ति के रुप में विकशित हो रही है।

असम में हिन्दी की विकाश यात्रा एक दिलचस्प और बहुआयामी प्रक्रिया रही है, जो ऐतिहासिक, सांस्कृतिक और सामाजिक कारकों से प्रभावित हुई है। पूर्वोत्तर में हिन्दी का प्रयोग ब्रिटिश आगमन से पहले शुरु हो चुका था। महापुरुष श्रीमंत शंकरदेव ही हिन्दी के प्रथम प्रचारक माने जाते हैं। शंकरदेव के रचनाओं में तत्सम शब्दों का प्रयोग मिलता है, उसी प्रकार हिन्दी भी तत्सम-बहुल भाषा है। पूर्वोत्तर में हिन्दी के प्रचार की बात करें तो वहाँ सबसे पहले जोरहाट-निवासी श्री यज्ञराम खारघरिया फुकन का नाम आता है। उन्होंने लगभग दो सौ वर्ष पहले 'हिन्दी व्याकरण और अभिधान नाम से एक ग्रंथ रचने का संकल्प लिया था। यह बात उन्होंने सन् 1832 में 'समाचार दर्पण' में प्रकाशित किया था।

पूर्वोत्तर भारत में हिन्दी का वास्तविक रुप 1934 में आया, जब 'अखिल भारतीय हरिजन सेवा संघ' की स्थापना के लिए महात्मा गांधी असम आए थे। गांधीजी की बातों से प्रभावित होकर पीताम्बर देव गोस्वामी ने बताया कि असम में हिन्दी सिखानेवालों की कमी है। गाँधीजी ने उत्तर

प्रदेश के प्रख्यात गांधीवादी नेता व समाजवादी राघवदास को हिन्दी प्रचारक के रुप में नियुक्त करके असम भेजा था। बाबा राघवदास ने असम के जोरहाट के अम्बिका प्रसाद त्रिपाठी, डिब्रुगड़ से शिव सिंहासन मिश्र, शिवसागर से सूर्यवंशी मिश्र, नगाँव से देवेन्द्र दत्त शर्मा, गुवाहाटी से धनेश्वर शर्मा और गोलाघाट से बैकुंठ नाथ सिंह को हिन्दी शिक्षा प्रदान की। रजनीकांत चक्रवर्ती, हेमकान्त भट्टाचार्य और नवीनचन्द्र कलिता इन तीनों महानुभवों के उत्साह से और प्रेरणा के प्रताप का फल है कि आज पूर्वोत्तर भारत के विद्यालयों में हिन्दी भाषा की नींव पड़ी।

भारतवर्ष के लोकप्रिय गोपीनाथ बरदलै ने पूर्वोत्तर में हिन्दी के प्रचार के लिए 3 नवम्बर 1938 को 'असम हिन्दी प्रचार समिति' की स्थापना की। बाद में 'असम राष्ट्रभाषा प्रचार समिति नाम रखा। बरदलै जी ने हिन्दी के प्रति असीम प्रेम और उदारता का परिचय देते हुए सरकारी एवं गैर-सरकारी स्कुलों में राष्ट्रभाषा हिन्दी सिखाने की अनुमति दी। अतः हम यह कह सकते हैं कि असम में हिन्दी का इतिहास सुनहरा रहा और इसका भविष्य भी उज्ज्वल है।

~ **Nikumani Das**

B.Ed 1st year.

# অনুগল্পৰ বিতান

# অভিনয়

ভুল হৈ গ'ল বাইদেউ !

বৰ্ষামিক্ত সেমেকা বতৰটোত লেতেৰা কাপোৰযোৰ আৰু তিতা পেনটোৰে বৈ আছে ক্লাছৰ মনোযোগী ল'ৰাটো । ভুলৰ শাস্তি বিচাৰি যি মোৰ্লে আগবঢ়াই দিয়ে তাৰ সোঁহাতখন । সাধাৰণতে ক্লাছত মনোযোগেৰেই থাকে সি ।

................ এছাৰি ডাল দাণ্ডি লৈয়ো বৈ গলো মই ।

এইটো বতৰত আৰু এই তিতা আজযোৰেৰে তোৰ অকণো ঠাণ্ডা লগা নাইনে? ক্ষনিকতে এটা শাব্দিক হুমুনিয়াহ বাগৰি পৰিল তাৰ ওঁঠত ।

"বাইদেউ দুইচাৰ্ট লগাই দিয়কচোন মোৰ হাতত.... । আপোনাৰ মাৰ খালে হেনো গাটো গৰম উঠি যায় । ঠাণ্ডাত থাকিবলৈ মোৰো বৰ কষ্ট হয় অ' বাইদেউ ।"

এইবাৰ তাৰ হুমুনিয়াহটো ছুৰেটোৰৰ ফালেদি কলিজাৰ নিস্তব্ধ কোণত খুন্দা মাৰি গ'ল । মোৰ অতীতেও জোকাৰি দি গ'ল এমুঠি জিয়া দুখ ।

"ঠাণ্ডা ল'ৰাটোৱেও ছাগে জানি বুজিয়েই ভুল কৰিছিল.... ।"

~ ৰিতুপৰ্ণা শইকীয়া
বি.এড দ্বিতীয় বৰ্ষ

# উত্তৰাধিকাৰী

বুঢ়ী মাকজনীৰ মৰাশটোৰ তেতিয়ালৈকে শুৱাই থোৱা আছিল। ভিতৰত খঙত উতলি থকা তিনি পুত্ৰ বোৱাৰীৰ সন্মুখত পৰি আছিল বুঢ়ীৰ পুৰণি বাকচটো আৰু এখন উত্তৰবিহীন দলিল।

“মোক ভালকৈ শুশ্ৰূষা কৰাজনেই পাব গোটেই সাঁচতীয়া সোণখিনি।”

কিন্তু এতিয়াছোন এই বাকচটোৰ ভিতৰত ওলাইছে এখনি নামঘোষা...... ।

“বুজিছ এইজনীক এনেই ইমানদিনে আলপৈচান ধৰিলো।” খঙতে ভোৰভোৰাই পুতেককেইটা অৱশেষত মাকৰ চকীখন লৈ আগবাঢ়িল ।

কোঠাটোত কান্দি থকা বুঢ়ীৰ আবিয়ৈ জীয়েকজনী-য়ে বাকচত থকা নামঘোষাখনকে সাবটি পুনৰ উঠুপি উঠিল...

যাৰ বেটুপাতত মাকে নিস্তেজ হাতেৰে লিখি থৈ গৈছে...

“লুকাই আছা দেখা নেদা মনিকূটৰ ভিতৰে.....”

ক্ষণিকতে জীয়েকজনী উঠি গৈ মাকৰ বিচনাৰ চুকত থকা মাকে থোৱা ধপাতৰ গধুৰ টেমাটো তুলি ললে ।

য'ত টেমাটোৰ সাঁফৰখনত ৰঙাকৈ লিখি থোৱা আছিল এটি শব্দ....

“মনিকূট”

~ জোনালী শইকীয়া
বি.এড দ্বিতীয় বৰ্ষ

# চুটিগল্পৰ
# ঝিতাল

# ৰামে সীতাক ত্যাগ কেতিয়াও কৰা নাছিল

যেতিয়াই আমি ডাঙৰজনাৰ মুখৰ পৰা ৰামায়ণ শুনিবলৈ পাও, তেতিয়াই আমি শুনিবলৈ পাও যে ৰাৱণ বধৰ পাছত ৰাম-সীতা, লক্ষ্মণ যেতিয়া অযোধ্যালৈ উভতি আহিছিল তেতিয়া অযোধ্যাৰ প্ৰজাই সীতাক ৰাৱনৰ লংকাত থাকি অহাৰ বাবে সন্দেহ কৰিবলৈ লৈছিল। ৰামে যেতিয়া এজন ধোবাৰ মুখত সীতাৰ বাবে অপবাদ শুনিছিল তেতিয়া তেওঁ সেয়া সহ্য কৰিব নোৱাৰি সীতাক ত্যাগ কৰিছিল বুলি লোকপ্ৰচাৰ চলি আহিছে। কিন্তু আজি মই আপোনাসৱক সেই সময়ত ৰাম-সীতাৰ মাজত হোৱা কথোপকথন-খিনি অৱগত কৰিব বিচাৰিছো —

সীতাঃ- স্বামী, আপুনি প্ৰজাসৱৰ মনৰ কথা গম লৈ উভতি অহাৰ পৰাই অধিক চিন্তিত হৈ আছে, আপুনি মোক ইয়াৰ কাৰণ ক'ব বিচৰা নাই, কাৰণ মই গৰ্ভৱতী। কিন্তু আপোনাৰ চিন্তাৰ কাৰণ মই জানো।

ৰামঃ- নহয় সীতা, চিন্তিত হ'ব লগা একো কাৰণ নাই।

সীতাঃ- অযোধ্যাৰ প্ৰজাসৱে মোক সন্দেহ কৰিছে কাৰণ মই ১২টা মাহ লংকাত আছিলো। মোৰ গৰ্ভত থকা সন্তানটোৰ ওপৰতো সন্দেহৰ প্ৰশ্ন উত্থাপন হৈছে। কিন্তু ইয়াৰ উপায় মই জানো।

ৰামঃ- কি উপায় সীতা?

সীতাঃ- অযোধ্যা ত্যাগ।

ৰাম :- (উৎফুল্লিত হৈ) সীতা এইটো অতি সুন্দৰ প্ৰস্তাৱ, বলা

আমি দুয়ো অযোধ্যা ত্যাগ কৰি বহুত দূৰলৈ গুচি যাওঁ, য'ত কেৱল তুমি আৰু মই থাকিম, এই অপবাদবোৰৰপৰা আঁতৰি আমি আমাৰ সুখৰ সংসাৰ গঢ়িম। ব'লা সীতা মই কাইলৈয়েই মোৰ অনুজ ভৰতক ৰজা ঘোষণা কৰিম আৰু তোমাৰ লগত যাত্ৰা কৰিম।

সীতাঃ- নহয় স্বামী, অযোধ্যা ত্যাগ আমি দুয়ো নহয়, কেৱল মই কৰিম। আপুনি অযোধ্যা ত্যাগ কৰিব নোৱাৰে। যদি আপুনি তেনে কৰে তেন্তে ৰামৰাজ্য প্ৰতিষ্ঠা কৰাৰ সপোন কেতিয়াও বাস্তৱ নহব।

মই অযোধ্যাৰ পৰা আঁতৰত থাকি নিজৰ সন্তানক ডাঙৰ-দীঘল কৰিম, ইয়াত যেতিয়ালৈকে প্ৰজাসকলৰ মনৰ পৰা বেয়া চিন্তাবোৰ আঁতৰ নহয় তেতিয়ালৈ মই ইয়াৰ পৰা দূৰত থাকিম, মোৰ সন্তানক এই কু অপবাদৰ পৰা আঁতৰত ৰাখিম।

ৰাম:- (ক্ৰন্দন সুৰ) এয়া অসম্ভৱ প্ৰিয়া, সীতা অবিহনে ৰাম কেতিয়াও সম্পূৰ্ণ নহয়, তুমি অবিহনে মই আগবাঢ়িব নোৱাৰো।

সীতাঃ- স্বামী আহিবলগীয়া সময়বোৰৰ সুখ শান্তি তথা প্ৰজাসকলৰ মংগলৰ অৰ্থে আজি আমি এইখিনি ত্যাগ কৰিব লাগিব। আজি আমি দূৰত থাকিলেও সদায় ওচৰত, মনৰ পৰা আমি সদায় একেলগে থাকিম স্বামী। মই অযোধ্যা ত্যাগ কৰিলেহে প্ৰজা সৱে কু চিন্তাৰ পৰা দূৰ হ'ব, বেয়া চিন্তা কৰিব বাদ দিব।

সেই আলোচনা বহু বছৰলৈ গোপন হৈ থাকিল। আৰু সমস্ত জগতে প্ৰভু শ্ৰী ৰামক দোষী সজাই আহিছিল। কিন্তু এতিয়া আপুনি বিবেচনা কৰক - ৰামে সীতাক ত্যাগ কৰিছিল নে?

~ ডলি মালী
বি.এড দ্বিতীয় বৰ্ষ

# অলিখিত পৃষ্ঠাসমূহ

ডাঙৰ হৈ মই সদায় নিজৰ জীৱনৰ এজন পৰ্যবেক্ষকৰ দৰে অনুভৱ কৰিছিলোঁ, সম্পূৰ্ণৰূপে জীয়াই থকাতকৈ মনত থকা মুহূৰ্তবোৰ নথিভুক্ত কৰিছিলোঁ। মোৰ শৈশৱ আছিল ধাৰাবাহিক স্নেপশ্বট — ৰ'দত তিতি থকা পিছফালৰ চোতালখনত খেলা, হাঁহিৰে ভৰা পৰিয়ালৰ ৰাতিৰ আহাৰ আৰু কিতাপত হেৰাই যোৱা নিস্তব্ধ ৰাতি। প্ৰতিটো মুহূৰ্তই তাৎপৰ্যপূৰ্ণ অনুভৱ হৈছিল। তথাপিও সেই অনুভৱবোৰ প্ৰকাশ কৰিবলৈ মই সংগ্ৰাম কৰিছিলোঁ।

হাইস্কুলত ভৰ্তি হোৱাৰ লগে লগে সকলো সলনি হৈ গ'ল। মোৰ চৌপাশৰ জগতখনৰ প্ৰতি মই তীব্ৰভাৱে সচেতন হৈ পৰিলোঁ — ইয়াৰ জটিলতা, ইয়াৰ কঠোৰ বাস্তৱতা। মই প্ৰায়ে নিজকে আপ্লুত অনুভৱ কৰিছিলোঁ, মোৰ চিন্তা, সপোন আৰু ভয়বোৰ লিখিবলৈ বহীখনত পিছুৱাই গৈছিলোঁ। লিখা মোৰ আশ্ৰয় হৈ পৰিল, মই উচ্চস্বৰে ক'ব নোৱাৰো বুলি অনুভৱ কৰা সকলোবোৰ প্ৰক্ৰিয়াকৰণৰ এক উপায়।

এদিন বিশেষ প্ৰত্যাহ্বানমূলক সপ্তাহ এটাত স্কুলত কবিতা প্ৰতিযোগিতা এখনত উজুটি খালোঁ। স্নায়ুৰ মাজতো আত্মপৰিচয় আৰু নিজৰ বুলি মোৰ সংগ্ৰামবোৰ প্ৰতিফলিত কৰা এটা টুকুৰাত মোৰ হৃদয়খন ঢালি দি মই প্ৰৱেশ



কৰাৰ সিদ্ধান্ত ল'লো। সহপাঠীসকলৰ সন্মুখত যেতিয়া মই মোৰ কবিতাটো উচ্চস্বৰে পঢ়িছিলো, তেতিয়া তেওঁলোকৰ প্ৰতিক্ৰিয়া দেখি আচৰিত হৈছিলোঁ- কোনোৱে বুজিবলৈ মাত দিলে, কোনোবাই হেৰাই যোৱা অনুভৱৰ নিজৰ কাহিনী শ্বেয়াৰ কৰিলে।

সেই অভিজ্ঞতাই এটা দুৱাৰ মুকলি কৰি দিলে যিটোৰ অস্তিত্ব মই নাজানিছিলো। মই বুজিলো যে মোৰ কথাবোৰে আনৰ মনত অনুৰণন ঘটায় আৰু দুৰ্বলতাই সংযোগ গঢ়ি তুলিব পাৰে। কেৱল পেজতে নহয় দৈনন্দিন জীৱনতো মোৰ কণ্ঠক আকোঁৱালি লবলৈ ধৰিলোঁ। মই মোৰ চিন্তাধাৰা ভাগ-বতৰা কৰিবলৈ, সমনীয়াৰ সৈতে জড়িত হ'বলৈ আৰু মই গুৰুত্ব দিয়া কাৰণসমূহৰ পোষকতা কৰিবলৈ সাহস পাইছিলোঁ।

স্নাতক ডিগ্ৰী লাভ কৰি প্ৰাপ্তবয়স্ক জীৱনত ভৰি দিয়াৰ লগে লগে মই লিখি থাকিলোঁ, মোৰ যাত্ৰাৰ টুইষ্ট আৰু টাৰ্নবোৰ ধৰি ৰাখিলোঁ। মই লিখা প্ৰতিটো কাহিনীয়েই এটা সোঁৱৰণী আছিল যে মই আৰু কেৱল এজন পৰ্যবেক্ষক নহয়; মই আছিলোঁ এজন অংশগ্ৰহণকাৰী, মোৰ অভিজ্ঞতাবোৰ জীৱনৰ কাপোৰত বোৱাইছিলোঁ।

বছৰ বছৰ পিছত কেফে এখনতে বহিলোঁ, কিমান দূৰ আহিম সেই বিষয়ে চিন্তা কৰিলোঁ। এসময়ত মগজুত চিন্তাৰে ভৰি থকা মোৰ বহীখন এতিয়া সম্পূৰ্ণ গল্প, কবিতা আৰু প্ৰতিফলনেৰে ভৰি পৰিছে। মই উপলব্ধি কৰিলোঁ যে জীৱনটোও লিখাৰ দৰেই এটা চলি থকা প্ৰক্ৰিয়া — নতুন অভিজ্ঞতা, আৱেগ আৰু সংযোগেৰে ভৰি পৰিবলৈ অপেক্ষা কৰি থকা অলিখিত পৃষ্ঠাৰ সংকলন।

মোৰ মাতটোক আকোঁৱালি লোৱাটোৱে মোৰ জীৱনটোক ৰূপান্তৰিত কৰি পেলাইছিল। মই শিকিলোঁ যে, আনন্দময় হওক বা প্ৰত্যাহ্বানমূলক হওক প্ৰতিটো মুহূৰ্তই প্ৰেৰণাৰ উৎস হ'ব পাৰে। আৰু সেই উপলব্ধিতে মই পৃথিৱীত মোৰ স্থান বিচাৰি পালোঁ, অতিমা কেৱল দৰ্শক নহয়, নিজৰ কাহিনীৰ লেখক।

~ বাবলু দাস
বি. এড. দ্বিতীয় বৰ্ষ



# অশ্রু

পুৱাৰ সুৰুজৰ কিৰণে জ্যোৎস্নাৰ চকুত চাট মাৰি ধৰিলে। জেলৰ পৰা ওলাই তাই স্মকলি আকাশৰ ফালে চালে.... নাই, তাই যেন আজিও সুখী নহয়। ১২ বছৰ পিছত জেলৰ পৰা মুক্ত হৈছে যদিও তাই সুখী নহয়। জেলতেই তাই সুখী অনুভৱ কৰিছিল, সকলো যেন আপোন হৈ পৰিছিল সেই ১২ বছৰতে।

জেলৰ মহিলা ৱাৰ্ডেন গৰাকীক কৃতজ্ঞতা জনাই তাই খোজ আগবঢ়ালে। কিন্তু কলৈ? হঠাৎ যেন তাইৰ দুভৰি থমকি ৰ'ল। তাই সেইখন ঘৰলৈ যাব নেকি? য'ত তাইৰ মাকৰ মৃত্যুৰ পিছত নিতৌ দাদায়েক - বৌয়েকে অত্যাচাৰ কৰিছিল....! নে বিয়া হৈ যোৱা ঘৰখনলৈ? য'ত তাইৰ গিৰিয়েকে কেৰাচিন ঢালি তাইক জুই লগাই দিছিল....। তাৰপিছত তাই উপায়বিহীন হৈ পুখুৰীত জাঁপ দিছিল। পুখুৰীৰ পৰা উঠি দা খন লৈ গিৰিয়েকক দুচেও কৰি তাই জেললৈ গৈছিল। এতিয়া তাই যাব কলৈ!



যিবোৰ সময়ত তাইৰ লগৰবোৰে খেল - ধেমালি কৰিছিল, স্কুললৈ গৈছিল, সেই-খিনি সময়ত তাইক ঘৰত অত্যাচাৰ কৰি দাদায়েক - বৌয়েকে মদাহী এজনলৈ বিয়া দিছিল, যাৰ বাবে ১২ বছৰ জেলত কটাবলগীয়া হৈছিল।

## ১২ বছৰ পিছত জ্যোৎস্নাই জেলৰ

ৱাৰ্ডেন গৰাকীৰ কৃপাত মুকলি আকাশৰ তলত জিৰণি লব পাৰিছে। মাক ঢুকুৱাৰ পিছৰে পৰা তাই অশ্রু বোৱাই আধা জীৱন পাৰ কৰিলে। এতিয়া বাকী থকা আধা জীৱনটো কেনেকৈ পাৰ কৰিব ইত্যাদি কথাবোৰ ভাবি ভাবি তাই মোজ কাঢ়ি হৈ থাকিল....!।

~অম্বিকা বড়ো
বি. এড. প্ৰথম বৰ্ষ





# ভ্ৰমণ অভিজ্ঞমূলক কাহিনীৰ শিতান

# অৰুণাচলঃ ভাৰতবৰ্ষৰ একমাত্ৰ উদীয়মান সূৰ্যৰ দেশ

"নানা ঠাই ফুৰে যি , নানা কথা শিকে সি ।"

নজনাটো জানিবলৈ নেদেখাটো চাবলৈ অশেষ আকাংক্ষা। তাৰেই আকাংক্ষা পূৰণৰ বাবে মই আৰু মোৰ লগৰ তিনিজন পাঁচ-দিনীয়া যাত্ৰা এটাৰ বাবে লৰ মাৰিছিলো 'উদীয়মান সূৰ্যৰ দেশ' হিচাপে খ্যাত ভাৰতৰ এখন অতি আকৰ্ষণীয় ৰাজ্য অৰুণাচল প্ৰদেশলৈ বুলি । ১০ অক্টোবৰৰ দিনাখন আমি ৰাতিপুৱা ৫টা বজাত সাজু হৈ লৰ মাৰিছিলো গোৱালপাৰাৰ পৰা গুৱাহাটী অভিমুখে । গুৱাহাটীৰ পৰা এখন চাৰিচকীয়া বাহন ভাড়া কৰি আমি অগ্ৰসৰ হৈছিলো অসম আৰু অৰুণাচলৰ সীমান্ত ভালুকপুংলৈ । সন্ধিয়া ৬ মান বজা-ত ভালুকপুংত আমি উপস্থিত হৈছিলো। ILP ৰ কাৰণে তাত আৰু দুঘন্টামান পলম হ'ল , ইফালে কিনকিনীয়া বৰষুণ ।

যাৰ ফলত আমি টিৰাং কৰা ঠইলৈ যাব নোৱাৰি ৰাতি ১২ মান বজাত অৰুণাচলৰ 'বমডিলা কামেং ৰিজৰ্ট'ত ৰাতিটো কটোৱাৰ সিদ্ধান্ত লৈছিলো ।

প্ৰথম দিনাৰ এটা ভাগৰুৱা যাত্ৰাৰ পিছত দ্বিতীয় দিনাখন পুৱা ৭ মান বজাত সাৰ পাই দেখা পাইছিলো এটা অতি মনোমোহা দৃশ্য য'ত চাৰিওফালে কেৱল পাহাৰ আৰু পাহাৰ । আৰু পাহাৰবোৰক আগচি ধৰিছে মেঘৰ আলয়ে। পাহাৰ প্ৰেমী মই সেই নান্দনিক দৃশ্য উপভোগ কৰি ঢাপলী মেলিছিলো অৰুণাচল প্ৰদেশৰ চৰ্চিত জিলা টাৱাংলৈ । টাৱাং যোৱা পথত আমি পাৰ কৰিছিলো 'টিৰাং জং' আৰু 'চেলা পাছ', সি হৈছে বহু বাইক

আৰোহীৰ বাবে সপোনৰ ঠাই । সন্ধিয়া প্ৰায় ৫:৩০ বজাত আমি তাত উপস্থিত হৈছিলো । তাত ঠাণ্ডা আছিল ৯° ছেলছিয়াছ, হাড়কঁপোৱা ঠাণ্ডা প্ৰায় ৪১৭০ মি (১৩৭০০ ফুট) উচ্চতাৰ এই পাছটো টাৱাং চহৰৰ পৰা ৭৮ কি.মি. আৰু গুৱাহাটীৰ পৰা প্ৰায় ৩৪০ কি.মি. দূৰত্বত অৱস্থিত । পাহাৰৰ উচ্চতাৰ্লৈ যিমান গৈ থকা যায় সিমানে যেন এন্ধাৰ বেছি হৈ গৈ থাকে । এনেদৰে লাহে লাহে বহু সময় গৈ ৰাতি ৯ বজাত আমি উপস্থিত হৈছিলো টাৱাং চহৰত । তাৰ সকলো হোটেল, জিৰণি কোঠা বুক হৈ থকাৰ ফলত আমি ওৰে নিশা গাড়ীতে কটাব লগীয়াত পৰিছিলো ।

নিশা তেনেকৈ কটাই ৰাতিপুৱা মোৰ স্নাতকোত্তৰ সহপাঠী টেনজিংৰ ঘৰত জিৰণি লৈছিলো । আগতে জনা হ'লে খবৰ কৰি তেঁওৰ ঘৰতেই ৰাতিটো কটাব পাৰিলোহেতেন । জিৰণি লৈ উঠি জলপানত এক বিচিত্ৰ ধৰণৰ মেগী উপভোগ কৰিছিলো, যিটো বনাইছিল খুৰী অৰ্থাৎ টেনজিংৰ মাকে । ক'বলৈ গ'লে একদম বেষ্ট মেগী । তাৰ পিছত আমি লৰ মাৰিছিলো 'মাধুৰী লেক'লৈ । বিখ্যাত হিন্দী চলচিত্ৰ 'Koyla' ৰ এটি গীতত "মাধুৰী দিক্ষিতে" এই হ্ৰদটোত শুটিং কৰিছিল। যাৰ বাবে হ্ৰদটোৰ নাম 'মাধুৰী লেক' ৰখা হৈছিল । 'মাধুৰী লেক' লৈ যোৱাৰ পথত আমি উপভোগ কৰিছিলো প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ 'PTSO লেক'; যি প্ৰাচীন মঠ আৰু চহকী তিব্বতী বৌদ্ধ ঐতিহ্যৰে ভৰপূৰ এখন ঠাই । তাৰ পৰা অলপ দূৰ গৈ 'আৰ্মিৰ চাউনীত' আমি আন এক প্ৰকাৰৰ সুস্বাদু মেগীৰ আনন্দ উপভোগ কৰিছিল। তাৰ পাছত আমি গৈ পাইছিলো টাৱাংৰ জেমিথাং নামে এটুকুৰা

ঠাই য'ত আছিল বঙা আৰু কলা পাথৰ। ঠাঁটাই ইয়াৰ আছিল এক অদ্ভুদ সৌন্দৰ্য্য। তাৰ পাছত আমি গৈ উপস্থিত হৈছিলো আমাৰ গন্তব্যস্থান 'মাধুৰি লেক'। মাধুৰি লেক সৌন্দৰ্য্যও আছিল অতি মনো- -মোহা। হ্ৰদটোৰ ওপৰত আছিল এডাল সাঁকো, যিয়ে হ্ৰদটোৰ সৌন্দৰ্য্য দুগুণ বঢ়াইছে। সেই প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি আমি পুনৰ উভতি আহিছিলো টেনজিঙৰ ঘৰলৈ।

টাৱাঙত দুটি নিশা কটোৱাৰ পিছত আমাৰ যাত্ৰাৰ চতুৰ্থ দিনা অৰ্থাৎ ১৩ অক্টোবৰত আমি চাবলৈ গৈছিলো "Giant Buddha statue". এই মূৰ্তিটো চাবলৈ চকুৰোৱা আছিল।

তাৰ পাছত আমি এভুমুকি মাৰিছিলো টাৱাং বজাৰখনত। অৰুণাচলৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ নিচিনাই ইয়াৰ মানুহবোৰো নিকা আৰু সহজ সৰল। তেওঁলোকৰ সংস্কৃতিও চহকী। টাৱাঙত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আমি উভতিছিলো পুনৰ অৰুণাচলৰ বমডিলালৈ, কাৰণ আমাৰ ভ্ৰমণ শেষ হোৱাৰ পথত আছিল। বাটত আমি অতিক্ৰম কৰিছিলো 'চেলা টানেল', যিয়ে গুৱাহাটী আৰু অৰুণাচল প্ৰদেশৰ মাজত সংযোগ স্থাপন কৰিছে। ই হৈছে বিশ্বৰ আটাইতকৈ দীঘল বাইলেণ্ড সুৰংগ, যাক নিৰ্মাণ কৰা হৈছিল সীমান্ত পথ সংযোগৰ বাবে "Border Roads Organisation ৰ দ্বাৰা। নিশা প্ৰায় ১০ মান বজাত আহি আমি বমডিলা প্ৰৱেশ কৰিছিলো।

অন্তিম দিনা আমি গৈছিলো শ্বেৰগাওঁলৈ যি আছিল প্ৰাকৃতিক সৌন্দৰ্য, সংস্কৃতি আৰু বনজ সম্পদেৰে পৰিপূৰ্ণ এখন চহকী গাঁও। এই ঠাইৰ কৃষিভূমি আপেল উৎপাদনৰ বাবে উৎকৃষ্ট সেইবাবে ই আপেল ফাৰ্মেৰে ভৰপূৰ। ২০২৩ চনত ৰূপৰ শাখাত ভাৰতৰ শ্ৰেষ্ঠ

পৰ্যটন গাওঁ হিচাপে 'শ্বেৰগাওঁ' ক সন্মানিত কৰা হৈছিল। আমি সেইদিনা শ্বেৰগাওঁৰ হোমষ্টেয় এটাত নিশাটো কটাই শেষত অৰ্থাৎ ১৫ অক্টোবৰত ৰাতিপুৱা আমি শ্বেৰগাওঁৰ পৰা অসম অভিমুখে ৰাওনা হৈছিলো। আমি উভতি আহিছিলো মংগলদৈ হৈ। অৰুণাচললৈ যাত্ৰাৰ দিনা পাহাৰৰ উদ্গতা বগাব লগীয়া হৈছিল আৰু এতিয়া অসমলৈ বুলি পাহাৰৰ পৰা তললৈ যাত্ৰা। ই আছিল আমাৰ বাবে সুখ আৰু দুখ সংমিশ্ৰিত অনুভৱ। সুখ এই কাৰণে আছিল যে আমি আমাৰ আপোন ঠাই অসমলৈ উভতি গৈ আছিলো আৰু দুখ এইবাবে আছিল যে এই মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ অৰুণাচলত আমি ঘূৰি অহাৰ দিনা অলপ Snow fall হৈছিল যি আমি উপভোগ কৰাৰ পৰা ব্যৰ্থ হৈছিলো। অৱশেষত আমি অৰুণাচলৰ সীমান্তত উপস্থিত হৈ 'আকৌ আহিম অৰুণাচল' বুলি অসমত প্ৰৱেশ কৰিছিলো আৰু ৰাতি প্ৰায় ১১ মান বজাত আহি গুৱাহাটী পাইছিলো।

এয়াই আছিল আমাৰ অৰুণাচলৰ এক স্মৃতিময় মধুৰ যাত্ৰা।

~ ৰাজা ৰাছেল চৌধুৰী
বি.এড দ্বিতীয় বৰ্ষ

# সংগৃহিত
# তথ্যর
# বিতান

# SOME INTERESTING FACTS ABOUT MATHS

Every odd number has "E" in it

ONE-1 , THREE-3 , FIVE-5 , SEVEN-7 , NINE-9

**FOUR** is the only number that has same number of letters as the number itself.

F O U R
1 2 3 4

From "Zero to Thousand", the only number which has letter **A** in it is

THOUSAND

**FORTY** is the only number which has letters arranged in alphabetic order

FORTY
6 15 18 20 25

**153** is an Armstrong number because

$$153 = 1^3 + 5^3 + 3^3$$

~ Gayetri Devi

B.Ed 1st year

# Jnanam

# 3.0

